सत्यमेव जयते

# অসম চৰকাৰ

২০১৪-২০১৫ বিত্তীয় বৰ্ষৰ ১ এপ্ৰিলৰ পৰা ৩০ চেপ্তেম্বৰ তাৰিখলৈকে হ'বলগীয়া ব্যয়ৰ বাবে লেখানুদান বিচাৰি বিত্ত মন্ত্ৰীয়ে দিয়া ভাষণ।


## শ্ৰী তৰুণ গগৈ

মুখ্যমন্ত্ৰী, অসম


১৩ ফেব্ৰুৱাৰী, ২০১৪ চন

*মাননীয় অধ্যক্ষ মহোদয়,*

মই ২০১৪-১৫ বিত্তীয় বৰ্ষৰ বাবে অসম চৰকাৰৰ অন্তৰ্বৰ্ত্তী নিৰূপিত প্ৰাপ্তি আৰু ব্যয়ৰ বিৱৰণ উত্থাপন কৰিবলৈ লৈছো,

২) মাননীয় সদস্যসকলৰ এইটো জ্ঞাত যে ষষ্ঠদশ লোকসভাৰ পাঁচ বছৰীয়া কাৰ্যকাল পূৰ্ণ হবলৈ লোৱা হেতুকে লোকসভাৰ নিৰ্বাচন সোনকালে অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে। এই পৰিপ্ৰেক্ষিতত এইটো জানিবলৈ পোৱা গৈছে যে কেন্দ্ৰীয় চৰকাৰে ২০১৪-১৫ বৰ্ষৰ এক অন্তৰ্বৰ্ত্তীকালীন বাজেটৰ ভিত্তিত এক লেখানুদান বিচাৰিব। তদুপৰি ২০১৪-১৫ বৰ্ষৰ বাবে অসমৰ বাৰ্ষিক পৰিকল্পনা চূড়ান্তকৰণৰ বিষয়ে পৰিকল্পনা আয়োগৰ উপাধ্যক্ষৰ সৈতে মোৰ এতিয়ালৈকে আলোচনা অনুষ্ঠিত হোৱা নাই। লোকসভা নিৰ্বাচনৰ পিছত এই আলোচনা অনুষ্ঠিত হ'ব বুলি আশা কৰা হৈছে। এই সন্দৰ্ভত মই মাননীয় সদনক জনাব বিচাৰো যে ভাৰত চৰকাৰে কেন্দ্ৰীয় পৃষ্ঠপোষকতাৰ আঁচনি সমূহ পুনৰ গঠন কৰি এই সংখ্যা ৬৬ লৈ হ্ৰাস কৰিছে। আগন্তুক বৰ্ষৰ পৰা কেন্দ্ৰীয় পৃষ্ঠপোষকতাৰ আঁচনিৰ অধীনৰ কেন্দ্ৰীয় অংশ ৰাজ্যৰ একত্ৰিত পুঁজিৰ জৰিয়তে প্ৰদান কৰা হ'ব আৰু ই ৰাজ্যলৈ কেন্দ্ৰীয়

পবিকল্পনা সাহায্য হিচাপে বাজেটত অন্তর্ভূক্ত হ'ব। যিহেতুকে এক বৃহৎ অংশব কেন্দ্রীয় পবিকল্পনা সাহায্য আৰু বাজ্যলৈ অন্যান্য কেন্দ্রীয় হস্তান্তবিত পুঁজিব প্রতিচ্ছবিখন কেন্দ্রব নিয়মীয়া বাজেটব পিছতহে স্পষ্ট হৈ পবিব, সেয়েহে মই ২০১৪-১৫ বর্ষব বাবে এখন অন্তর্ৱৰ্ত্তীকালীন বাজেটহে মাত্র উত্থাপন কবাব প্রস্তাৱ কবো। যদিও মই যিমান পাবি সোনকালে এখন সবিস্তাবিত আৰু নিয়মীয়া বাজেটেবে এই মহান সদনলৈ পুনব আহিবলৈ প্রস্তাৱ কবো, পর্য্যাপ্ত সাৱধানতাব বিষয় হিচাপে মই ২০১৪ চনব পহিলা এপ্রিলব পবা ৩০ চেপ্তেম্ববলৈ ছয় মাহব বাবে দাবী মঞ্জুবীব ওপবত এক লেখানুদান উত্থাপন কবাব প্রস্তাৱ কবো। মই আপোনালোকক উনুকিয়াব খোজো যে এই অন্তৰৰ্ত্তীকালীন সময়ছোৱাতো আমাব উন্নয়নী কাম-কাজ সমূহব গতি মন্থব নহয়। অন্তৰৰ্ত্তীকালীন বাজেটখন এই দিশ সমূহব প্রতি লক্ষ্য বাখিয়ে কবা হৈছে।

৩) সন্মানীয় সদনব ওচবত বিত্তীয় বিৱবণ উত্থাপন কৰাব আগতে বাজ্যখনব বিত্তীয় আৰু অর্থনৈতিক খণ্ডত হোৱা কিছুমান উল্লেখনীয় উন্নয়নব খতিয়ান মই সন্মানীয় সদস্যসকলক অৱগত কবিব বিচাবিছো ।

৪) আগতীয়া প্রাক্কলন অনুসবি মুঠ বাজ্যিক ঘৰুৱা উৎপাদনে ২০০৪-০৫ বর্ষব স্থিব মূল্যত ২০১৩-১৪ বর্ষত ৫.৮৭ শতাংশব বিকাশ প্রতিফলিত কবিছে । ২০১২-১৩



বৰ্ষত তাৎক্ষণিক হিচাপমতে মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন বৰ্ত্তমানব মূল্যত ২০১১-১২ বৰ্ষৰ তুলনাত ১২.৫৬ শতাংশবো অধিক।

৫) ২০১৩-১৪ বৰ্ষৰ আগতীয়া প্ৰাক্কলন অনুসৰি, জনমূবি আয়ে ২০১৩-১৪ বৰ্ষত স্থিৰ মূল্যত আগৰ বছৰৰ তুলনাত ৪.৬৩ শতাংশ আৰু বৰ্ত্তমানৰ মূল্যত ১৪.৫৩ শতাংশৰ বিকাশৰ হাৰ দেখুৱাইছে ।

৬) মই আপোনালোকক জনাবলৈ পাই সুখী হৈছো যে ২০১২-১৩ বৰ্ষত আমি ১৫৫৪ কোটি টকাৰ ৰাজহ ৰাহি কৰিবলৈ সক্ষম হৈছো। বিত্তীয় ঘাটিয়েও ১৫১৬ কোটি টকাৰ ৰাহি দেখুৱাইছে আৰু মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ অনুপাতত বিত্তীয় ঘাটিয়ে ২০১১-১২ বৰ্ষৰ ১.৪৩ শতাংশৰ তুলনাত ২০১২-১৩ বৰ্ষৰ সময়ছোৱাত মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ ঋণাত্মক ১.০৬ শতাংশলৈ হ্ৰাস পাইছে ।

৭) ২০০৬-০৭ বৰ্ষৰ পৰা অসমৰ ঋণৰ স্থিতিৰো উল্লেখনীয় উন্নতি ঘটিছে । ঋণ- মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ অনুপাত ২০০৫-০৬ বৰ্ষৰ ৩০.৮৩ শতাংশৰ পৰা ২০১২-১৩ বৰ্ষত ১৮.৫২ শতাংশলৈ অৱনমিত হৈছে। ঠিক তেনেদৰে, মুঠ ৰাজহ প্ৰাপ্তি সুত পৰিশোধৰ অনুপাত ২০০৩-০৪ বৰ্ষৰ ১৮.৬২ শতাংশৰ পৰা ২০১২-১৩ বৰ্ষত ৬.৮৭ শতাংশলৈ হ্ৰাস পাইছে।

৮) বিগত প্ৰায় ১০ বছৰ আমাৰ ৰাজ্যখনৰ বিত্তীয় অৱস্থা বেচ সবল আৰু সুস্থিৰ হৈ আছে। পৰিকল্পনা আয়োগ আৰু পৰৱৰ্ত্তী বিত্তীয় আয়োগ সমূহে উন্নত বিত্তীয় পৰিচালনাৰ বাবে আমাৰ ৰাজ্যখনক প্ৰশংসা কৰিছে। এই সফলতাত মাননীয় সদস্য সকলক আপোনালোকে কৰা সহযোগিতাৰ বাবে মই ধন্যবাদ জনাইছো। ২০০৮ চনৰ আৰম্ভণিৰ পৰা যেতিয়া গোলকীয় আৰু ৰাষ্ট্ৰীয় স্তৰত অৰ্থনৈতিক মন্দাৱস্থা আৰু বিত্তীয় সংকোচনৰ পৰিস্থিতি বিৰাজ কৰিছিল, তেতিয়া কোনো বিত্তীয় আহুকাল অবিহনে সেই অস্থিৰ অৰ্থনৈতিক বাতাৱৰণৰ মাজতো আমাৰ ৰাজ্যখন সুচাৰুৰূপে চলি আছিল। যদিও মই আত্মবিশ্বাসী যে এই ধাৰাটো অনাগত দিন সমূহতো বৰ্তাই ৰাখিবলৈ মই সক্ষম হ'ম, তথাপিও এই ক্ষেত্ৰত যথেষ্ট সতৰ্কতা অৱলম্বন কৰা দৰকাৰ। সামগ্ৰিক ৰাষ্ট্ৰীয় বিকাশৰ হাৰ আশা কৰাতকৈ নিম্ন হৈয়ে আছে। গোলকীয় আৰু ৰাষ্ট্ৰীয় অৰ্থনৈতিক ধাৰাৰ পৰা আমাৰ ৰাজ্যখনে অধিক সময়ৰ বাবে পৃথক হৈ থাকিব নোৱাৰে। তদুপৰি কেন্দ্ৰীয় চৰকাৰে সপ্তম দৰমহা আয়োগ গঠন কৰিছে। কেন্দ্ৰীয় দৰমহাৰ নিৰিখৰ লগত সংগতি ৰাখি আমিও আমাৰ দৰমহাৰ গাঁথনি সংশোধন কৰিব লাগিব। এই ঘটনা প্ৰবাহ আৰু আন আন এৰাব নোৱাৰা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আমি অলাগতিয়াল ব্যয়ৰ পৰা হাত সাৰিবলৈ



যথেষ্ট সতৰ্ক হব লাগিব আৰু আয়ৰ সম্ভাব্য সকলো উৎস আহৰণ কৰিব লাগিব।

৯) ২০১৩ চনৰ ৬ ফেব্ৰুৱাৰীত অনুষ্ঠিত হৈ যোৱা অসমৰ ৰাজ্যিক পৰ্যায়ৰ বেংকাৰ সমিতিৰ বিশেষ বৈঠকত ২০১৩-১৪ বৰ্ষৰ কালছোৱাত ২০০ টা নতুন বেংকৰ শাখা স্থাপনৰ সিদ্ধান্ত লোৱা হৈছিল । মই আপোনালোকক জনাবলৈ পাই সুখী হৈছো যে এতিয়ালৈকে ১২৮ টা শাখা মুকলি কৰা হৈছে।

১০) ইলেকট্ৰনিক মাধ্যমযোগে ধন প্ৰদান আৰু হিতাধিকাৰীলৈ সুবিধা হস্তান্তৰক সহজ কৰি তোলাৰ অৰ্থে ই.বি.টি. ম'ড যোগে মহাত্মা গান্ধী এন্‌ৰেগাৰ ধন প্ৰদানৰ বাবে ষ্টেট বেংক অব্ ইণ্ডিয়া, চেন্ট্ৰেল বেংক অব্ ইণ্ডিয়া আৰু অসম গ্ৰামীণ বিকাশ বেংকে অসম চৰকাৰৰ সৈতে ঘুটীয়াভাৱে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে ।

১১) উচ্চ নিৰিখত লাভালাভৰ ধন ওভতাই দিম বুলি মিছা প্ৰতিশ্ৰুতি প্ৰদানৰ দ্বাৰা কেতবোৰ প্ৰৱঞ্চক ফাৰ্মে বিনিয়োগকাৰীসকলক ঠগিবলৈ বিচৰাৰ বিষয়ে ৰাজ্য চৰকাৰ যথেষ্ট উদ্বিগ্ন । এনেধৰণৰ ঠগ - প্ৰৱঞ্চনাক বাধা প্ৰদান কৰাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে যথেষ্ট কঠোৰ স্থিতি গ্ৰহণ কৰিছে । বিগত সময়ত ৰাজ্যখনত সন্দেহজনক বিত্তীয় প্ৰতিষ্ঠানৰ দ্বাৰা সংঘটিত প্ৰৱঞ্চনামূলক কাম-কাজৰ বিৰুদ্ধে গ্ৰহণ কৰা আইনী ব্যৱস্থাৱলীক অধিক শক্তিশালী কৰাৰ বাবে অসম জমাকাৰীৰ

স্বাৰ্থ সুৰক্ষা (বিত্তীয় প্ৰতিষ্ঠানসমূহত) আইন,২০০০ৰ সংশোধন ঘটোৱা হৈছে । সংশোধিত আইনৰ অধীনত যাৱতীয় অধিনিয়মো জাৰি কৰা হৈছে।

১২) আপোনালোক নিশ্চয় অৱগত যে ৫০ কোটি টকা বা ততোধিক প্ৰকল্প ব্যয়বিশিষ্ট তথা ৰাজ্য চৰকাৰে কমেও ১৫ কোটি টকা বিনিয়োগ কৰা প্ৰধান আৰু জটিল আন্ত:গাঁথনি প্ৰকল্প সমূহলৈ পুঁজি প্ৰদানৰ বাবে অসম আন্ত:গাঁথনি বিত্ত প্ৰাধিকৰণ (এ আই এফ এ) গঠন কৰা হৈছিল । ২০১৩-১৪ বৰ্ষত এই প্ৰাধিকৰণে লাকুৱা বিপ্লেচমেন্ট শক্তি প্ৰকল্পলৈ ইয়াৰ অংশীদাৰিত্বৰ বৰঙনি স্বৰূপে ৭৯.২০ কোটি টকা অনুৰূপ পুঁজিৰূপে প্ৰদান কৰিবলৈ সন্মত হৈছে । চলিত বিত্তীয় বৰ্ষত গুৱাহাটীত ভাৰতীয় তথ্য প্ৰযুক্তি প্ৰতিষ্ঠানৰ স্থায়ী চৌহদৰ বাবে ভূমি অধিগ্ৰহণৰ ব্যয়স্বৰূপে ৩০ কোটি টকা প্ৰদান কৰিবলৈও অসম আন্ত:গাঁথনি বিত্ত প্ৰাধিকৰণ সন্মত হৈছে। ডুমনী চকীৰ পৰা পথ সংযোগেৰে সৈতে নাৰেঙ্গিৰ পৰা কুৰুৱালৈকে ব্ৰহ্মপুত্ৰৰ ওপৰত এখন ছয়লেন যুক্ত দলঙৰ নিৰ্মাণৰ বাবে প্ৰাক্‌কলন প্ৰস্তুত কৰিবলৈ পৰামৰ্শদাতা নিয়োগৰ প্ৰক্ৰিয়া চূড়ান্ত পৰ্য্যায়ত আছে।

১৩) ২০১১-১২ বৰ্ষৰ ৬৬০৪.৩১ কোটি টকাৰ বিপৰীতে ২০১২-১৩ বৰ্ষত বাণিজ্যিক কৰ-ৰাজহ হিচাপে ৭০৫০.৫৬ কোটি টকা সংগ্ৰহ কৰা হৈছে, যিটোৱে কৰ ৰাজহ বৃদ্ধিৰ হাৰ ৭ শতাংশ হিচাপে দেখুৱাইছে। পূৰ্ব্বৱৰ্ত্তী বৰ্ষৰ ডিচেম্বৰ



মাহলৈকে সাময়িকভাৱে সংগৃহীত ৪৮৫৪.৭৯ কোটি টকাৰ বিপৰীতে ২০১৩ চনৰ ডিচেম্বৰলৈকে আনুমানিক সংগৃহীত ধনৰ পৰিমাণ হৈছে ৫৪২৮.২৯ কোটি টকা । এইমতে বৃদ্ধিৰ হাৰ ১২ শতাংশ হয়। ২০১৪ বৰ্ষৰ ৩১ মাৰ্চলৈ বৃদ্ধিৰ এই হাৰে ১৫ শতাংশ অতিক্ৰম কৰিব বুলি আশা কৰা যায়।

১৪) ২০১৩-১৪ বৰ্ষত ২০১৩ চনৰ নৱেম্বৰলৈ ৩৭৯.৭৫ কোটি টকা আবকাৰী ৰাজহ আৰু সুৰাৰ ওপৰত আৰোপিত বিক্ৰী কৰ ২৭৯.৩৮ কোটি টকা সংগৃহীত হৈছে ।

১৫) ২০০৫-০৬ বৰ্ষৰ পৰা চৰকাৰে ১১৫৪৩৯ টা নতুন পদ সৃষ্টি কৰিছে, যাৰ ভিতৰত ২০৬৯২ টা পদ ২০১৩-১৪ বৰ্ষত সৃষ্টি কৰা হৈছে । ৮৬১৭২ টা খালী হৈ থকা মঞ্জুৰিপ্ৰাপ্ত পদ পূৰণৰ বাবেও অনুমোদন দিয়া হৈছে । ২০০৫-০৬ বৰ্ষৰ পৰা মোৰ চৰকাৰে ১০০৬৮৪ গৰাকী ব্যক্তিক নিয়োগ প্ৰদান কৰিছে । নিৰ্দিষ্ট সময়সীমা সাপেক্ষে খালী হৈ থকা প্ৰায় ১০০৯২৭ টা পদত নিযুক্তি প্ৰদান কৰিবলৈ মই আটাইবোৰ বিভাগকে নিৰ্দেশ দিছো ।

১৬) ৰাজ্যিক বিধান মণ্ডলত সমাজৰ বিভিন্ন অংশৰ প্ৰতিনিধিত্ব প্ৰদানৰ বাবে মোৰ চৰকাৰে এখন বিধান পৰিষদ (উচ্চ সদন) গঠন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে । এই সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰলৈ আৱশ্যকীয় প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছে ।

১৭) ভাৰত চৰকাৰৰ অনুমোদন সাপেক্ষে ৰাষ্ট্ৰীয় নাগৰিক-পঞ্জীৰ উন্নীতকৰণৰ আৰ্হি চূড়ান্ত কৰা হৈছে । তিনি বছৰৰ ভিতৰত ৰাজ্যখনত ১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ উন্নীতকৰণৰ কাম সম্পূৰ্ণ কৰাৰ বাবে ২০১৩ চনৰ ৬ ডিচেম্বৰত অধিসূচনা জাৰি কৰা হয় । উন্নীতকৰণ প্ৰক্ৰিয়াৰ সুবিধাৰ্থে বৰ্ত্তমানৰ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীখনক ডিজিটাইজেশ্যনৰ অৰ্থে ইতিমধ্যে পদক্ষেপ গ্ৰহণ কৰা হৈছে। তদুপৰি বিদেশীৰ ক্ষীপ্ৰ চিনাক্তকৰণ আৰু বহিস্কৰণৰ বাবে বিদেশী চিনাক্তকৰণ ন্যায়াধিকৰণৰ সংখ্যা বৰ্ত্তমানৰ ৩৬ খনৰ পৰা ১০০ খনলৈ বৃদ্ধি কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে সন্মতি প্ৰদান কৰিছে ।

১৮। অসম লোকায়ুক্ত আৰু উপ-লোকায়ুক্ত আইন ১৯৮৫ ৰ অধীনত যদিও অসমত লোকায়ুক্ত প্ৰতিষ্ঠান ইতিমধ্যে আছে, তথাপিও অধিক ক্ষমতা প্ৰদানৰ জৰিয়তে লোকায়ুক্ত প্ৰতিষ্ঠানক শক্তিশালী কৰাৰ অৰ্থে অসম লোকায়ুক্ত বিধেয়ক, ২০১৪ নামৰ এখন নতুন বিধেয়ক বিধান সভাৰ পৰৱৰ্ত্তী অধিবেশনত অনাৰ বাবে মই প্ৰস্তাৱ কৰিছো। প্ৰক্ৰিয়া অনুসৰি এই খচৰা বিধেয়কখন বিভিন্ন বিভাগসমূহৰ সৈতে চলাই থকা আলোচনাৰ চূড়ান্ত পৰ্যায়ত আছে। প্ৰস্তাৱিত নতুন আইনখনে বৰ্তমানৰ আইনখনক বাতিল কৰিব। ১৯৮৮ চনৰ দুৰ্নীতি নিবাৰণ আইনৰ অধীনত বিভিন্ন ৰাজহুৱা কৰ্মকৰ্তাসকলৰ বিৰুদ্ধে উত্থাপিত দুৰ্নীতিৰ অভিযোগসমূহ তদন্ত কৰাৰ অৰ্থে প্ৰস্তাৱিত নতুন লোকায়ুক্ত প্ৰতিষ্ঠানটোক কৰ্ত্তৃত্ব প্ৰদান কৰা হ'ব। বৰ্তমানৰ লোকায়ুক্তৰ এনে ক্ষমতা নাই। প্ৰস্তাৱিত নতুন ৰাজ্যিক লোকায়ুক্ত আইনখন ২০১৩ চনৰ কেন্দ্ৰীয় লোকপাল আৰু লোকায়ুক্ত আইনৰ লগত সংগতি ৰাখি প্ৰণয়ন কৰা হ'ব। ইয়াৰোপৰি, সকলোধৰণৰ চৰকাৰী বিষয়া-কৰ্মচাৰী আৰু ৰাজ্য চৰকাৰৰ দ্বাৰা স্থাপিত, অৰ্থ সাহায্যপ্ৰাপ্ত বা নিয়ন্ত্ৰিত কোম্পানী, সমিতি নাইবা ন্যাসৰ কৰ্মচাৰী; বৰ্তমানৰ আৰু প্ৰাক্তন মুখ্যমন্ত্ৰীসকল; বৰ্তমানৰ আৰু প্ৰাক্তন মন্ত্ৰীসকল; বৰ্তমানৰ আৰু প্ৰাক্তন বিধায়ক; ষষ্ঠ অনুসূচীৰ অৰ্ন্তগত জিলাসমূহ, পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহ আৰু নগৰীয়া স্থানীয় নিকায়সমূহৰ নিৰ্বাচিত প্ৰতিনিধি তথা কৰ্মচাৰীসকলকো এই নতুন আইনখনৰ আওতালৈ অনা হ'ব। এই নতুন আইনখনে ১৯৮৮ চনৰ দুৰ্নীতি নিবাৰণ আইনৰ অধীনত দুৰ্নীতিৰ গোচৰসমূহৰ ক্ষীপ্ৰ আৰু নিৰপেক্ষ তদন্ত তথা বিচাৰৰ বাবে এক ব্যাপক আৰু ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰিব।

১৯) ৰাজ্যখনলৈ এক শান্তি আৰু অনুকূল বাতাৱৰণ অনাৰ বাবে আমাৰ প্ৰচেষ্টাত ১৩ টা উগ্ৰপন্থী সংগঠনৰ সৈতে অভিযান স্থগিতকৰণ চুক্তি স্বাক্ষৰিত হৈছে। ভাৰত চৰকাৰ, অসম চৰকাৰ আৰু ৰঞ্জন দৈমাৰী নেতৃত্বাধীন এন ডি এফ বি গোটৰ সৈতে যোৱা ২০১৩ চনৰ ২৯ অক্টোৱৰত স্বাক্ষৰিত হোৱা অভিযান স্থগিতকৰণ চুক্তি হ'ল আন এক প্ৰধান সাফল্য। আমি আশাবাদী যে পৰেশ বৰুৱা নেতৃত্বাধীন আলফা (আই) আৰু এন ডি এফ বি (সংবিজিত) গোটেও

হিংসাৰ পথ পৰিহাৰ কৰি আলোচনাৰ বাবে আগবাঢ়ি আহিব।

২০) আৰক্ষী বিভাগত ৮০০০ বো অধিক খালী হৈ থকা পদ পূৰণৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে।

২১) স্বাধীন ভাৰতৰ প্ৰথম প্ৰধান মন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৰ ১২৫ তম্ জন্ম বাৰ্ষিকীৰ সোঁৱৰণত মুক্তি যুঁজাৰুসকলৰ মাহেকীয়া পেঞ্চনৰ পৰিমাণ বৰ্ত্তমানৰ ৮০০০ টকাৰ পৰা ১৫,০০০ টকালৈ বৃদ্ধি কৰিবলৈ মই প্ৰস্তাৱ কৰিছো।

২২) দেশৰ বিভিন্ন ঠাইত থকা আছাম হাউচ/ভৱন সমূহে সেই ঠাইসমূহলৈ ভ্ৰমণলৈ যোৱা চৰকাৰী বিষয়া-কৰ্মচাৰী আৰু শিক্ষা, স্বাস্থ্য আৰু অন্যান্য কাৰণত যোৱা অন্যান্য লোকসকললৈ এক সুৰক্ষিত, আৰামদায়ক আৰু কম খৰচী থকাৰ সুবিধা প্ৰদান কৰি আছে। এই সংক্ৰান্তত ভেলোৰ, চেন্নাই, বাংগালোৰ আৰু কলকাতাত নতুন অসম ভৱনৰ নিৰ্মাণৰ কামে চুড়ান্ত পৰ্যায় পাইছে। মুম্বাইস্থিত আছাম হাউচৰো অতিৰিক্ত কোঠা নিৰ্মাণেৰে পৰিসৰ বৃদ্ধি কৰা হৈছে। দিল্লীত থকা পুৰণি আছাম হাউচৰ আকাৰ বৃদ্ধি কৰি ৭০ টা কোঠাৰ ব্যৱস্থা কৰা হ'ব। নতুন দিল্লীত তৃতীয়টো আছাম হাউচ নিৰ্মাণৰ বাবে ভূমি আৱন্টনৰ অৰ্থে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি থকা হৈছে । নতুন দিল্লীত এটা সামূহিক কেন্দ্ৰ স্থাপনৰ বাবে মাটি আবন্টন কৰিবৰ কাৰণে



মই কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিছো। প্ৰায় ১০০ টা অতিথিৰ কোঠালিৰ উপৰিও ইয়াত এটি সাংস্কৃতিক কেন্দ্ৰ পৰ্য্যটক তথ্য কেন্দ্ৰ, প্ৰেক্ষাগৃহ, অসমীয়া খাদ্য সম্ভাৰৰ এখনি ৰেস্তোৰাঁ আৰু অন্যান্য সা-সুবিধাও থাকিব । হায়দৰাবাদত এটা অসম ভৱন নিৰ্মাণৰ বাবে পদক্ষেপ লোৱা হ'ব ।

২৩) স্বচ্ছতা, জবাবদিহিতা আৰু ৰাজহুৱা সেৱাসমূহৰ সময়-সাপেক্ষ প্ৰদান সুনিশ্চিত কৰাৰ বাবে ৰাজ্যত অসম জনসেৱাৰ অধিকাৰ আইন, ২০১২ কাৰ্য্যকৰী কৰি থকা হৈছে। এই আইনৰ অধীনত ১৪টা বিভাগক সামৰি ৫৫ বিধ সেৱাক অধিসূচিত কৰা হৈছে।

২৪) প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণ হৈছে মোৰ চৰকাৰৰ এক অন্যতম অগ্ৰাধিকাৰৰ বিষয়। মধ্যাহ্ন ভোজন আৰু সৰ্বশিক্ষা অভিযান নামৰ ধ্বজাবাহী কাৰ্যসূচী দুটাৰ অধীনত অৰ্জন কৰা কিছু উল্লেখনীয় সাফল্য এনেধৰণৰ- বিদ্যালয় বৰ্হিভূত শিশুৰ সংখ্যা হ্ৰাস, শিক্ষাৰ্থীক বিদ্যালয়ত ধৰি ৰখাৰ হাৰ উন্নীত আৰু আধাতে বিদ্যালয় ত্যাগ কৰাৰ হাৰ অৱনমিত, শিক্ষকৰ যোগ্যতা নিৰূপণকাৰী পৰীক্ষাত উত্তীৰ্ণ ৮৮৬৬ গৰাকী প্ৰাৰ্থীক শিক্ষকৰূপে নিযুক্তি প্ৰদান, ২১,৩০০ গৰাকী শিক্ষক আৰু অন্যান্য কৰ্মচাৰীৰ সেৱা প্ৰাদেশিকীকৰণ, ৬৩,৭৮১ গৰাকী মেধাৱী শিক্ষাৰ্থীক বিশেষ বৃত্তি প্ৰদান আদি।

২৫) দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ পৰিয়ালৰ ছাত্ৰীসকলৰ মাজত ১৪০৩২৪ খন চাইকেল বিতৰণ কৰা হৈছে।

২৬) উচ্চ শিক্ষা খণ্ডৰ সামগ্ৰিক উন্নীতকৰণৰ বাবে অসম ৰাজ্যিক উচ্চ শিক্ষা অভিযান গঠন কৰা হৈছে। ৭৭ খন ভেঞ্চাৰ ডিগ্ৰী কলেজ আৰু ১৫ খন সংস্কৃত আৰু পালি টোল প্ৰাদেশিকীকৰণ কৰা হৈছে। ইয়াৰ বাবে ক্ৰমে ১৬৫০ টা আৰু ৭৫ টা পদ সৃষ্টি কৰা হৈছে।

২৭) ৩২৬ খন মাদ্ৰাছা অনুষ্ঠান আৰু এখন আৰবিক কলেজ প্ৰাদেশিকীকৰণ কৰা হৈছে। ইয়াৰ বাবে ৩৮২২ টা শিক্ষক আৰু কৰ্মচাৰীৰ পদ সৃষ্টি কৰা হৈছে।

২৮) পাঁচখন পলিটেকনিকত ৰাজহুৱা মহাবিদ্যালয় স্থাপন কৰাৰ প্ৰস্তাৱ লোৱা হৈছে। অসম বিজ্ঞান আৰু প্ৰযুক্তি বিশ্ববিদ্যালয় স্থাপন কৰা হৈছে। ইয়াৰ উপৰি ৰাজহুৱা অৰু ব্যক্তিগত অংশীদাৰিত্ব পদ্ধতিৰে গুৱাহাটীত এখন ভাৰতীয় তথ্য প্ৰযুক্তি প্ৰতিষ্ঠান স্থাপন কৰা হৈছে আৰু ইয়াৰ শৈক্ষিক বৰ্ষ ২০১৩ চনৰ আগষ্টৰ পৰা আৰম্ভ হৈছে।

২৯) বিভিন্ন বাণিজ্য আৰু বৃত্তিত দক্ষতা বৃদ্ধিৰ জৰিয়তে অধিক লোকক নিয়োজনযোগ্য কৰি তোলাৰ দ্বাৰা ৰাজ্যখনত বিৰাজমান গুৰুতৰ নিবনুৱা সমস্যাটো সমাধান কৰিব পাৰি। এই উদ্দেশ্য সাধনৰ বাবে এই ক্ষেত্ৰসমূহত কাম কৰি থকা বৰ্তমানৰ বিভিন্ন অভিকৰণৰ জৰিয়তে নিয়োগ সৃষ্টি আৰু দক্ষতা বৃদ্ধিৰ ওপৰত আমি অধিক গুৰুত্ব প্ৰদান কৰিম। এই



ক্ষেত্ৰত ঔদ্যোগিক প্ৰশিক্ষণ কেন্দ্ৰৰ সক্ষমতা বৃদ্ধি কৰা হ'ব। সেই অনুসৰি, ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানসমূহত প্ৰয়োজনীয় শিক্ষক/ প্ৰশিক্ষক নিয়োগ কৰা হ'ব।

৩০) ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য অভিযানৰ অধীনত বিভিন্ন স্বাস্থ্য সেৱাৰ সূচকৰ পৰা এই কথা স্পষ্ট হৈ পৰিছে যে ৰাজ্যখনত উচ্চ মানৰ, গ্ৰহণ সূচল স্বাস্থ্য সেৱা প্ৰদানত যথেষ্ট অগ্ৰগতি লাভ কৰা হৈছে। প্ৰসূতিৰ মৃত্যুৰ হাৰ ২০০৪-০৬ বৰ্ষৰ ৪৮০ ৰ পৰা ২০১০-১২ বৰ্ষত ৩২৮ লৈ হ্ৰাস পাইছে, শিশুৰ মৃত্যুৰ হাৰ ২০০৫ চনৰ ৬৮ টাৰ পৰা ২০১২ চনত ৫৫ টালৈ হ্ৰাস পাইছে, মুঠ উৰ্ব্বৰতাৰ হাৰ ২০০৫ চনৰ ২.৯ টাৰ পৰা ২০১২ চনত ২.৪ টা হৈছে, প্ৰাতিষ্ঠানিক প্ৰসৱৰ হাৰ ২০০৫-০৬ বৰ্ষৰ ২২.৭০ শতাংশৰ বিপৰীতে ২০১৩ চনত ৭৮.২ শতাংশ হৈছে আৰু শিশুৰ টিকাকৰণৰ হাৰ ২০০৫-০৬ বৰ্ষৰ ৩১.৬০ শতাংশৰ বিপৰীতে ২০১৩ চনত ৭৮.২৫ শতাংশ হৈছেগৈ।

৩১) ২০১৪ চনৰ ১ ফেব্ৰুৱাৰীত ৩৩ খন আদৰ্শ চিকিৎসালয় উদ্বোধন কৰা হৈছে। ২০১৪ চনৰ ৩০ জানুৱাৰী তাৰিখে তেজপুৰ চিকিৎসা মহাবিদ্যালয় উদ্বোধন কৰা হয়। ১২ বছৰৰ তলৰ দৰিদ্ৰ শিশুসকললৈ বিশেষ চিকিৎসা প্ৰদানৰ অৰ্থে ২০১৩-১৪ বৰ্ষত "স্নেহ স্পৰ্শ" নামেৰে এখন নতুন আঁচনি ৰূপায়ণৰ কাম হাতত লোৱা হৈছে। কেন্সাৰৰ আগতীয়া চৈনাক্তকৰণ আৰু চিকিৎসাৰ বাবে মোৰ চৰকাৰে বিশেষ

গুৰুত্ব দিব। অসমৰ চিকিৎসা মহাবিদ্যালয় আৰু অন্য চিকিৎসালয়সমূহত এনে সুবিধা উপলব্ধ কৰা হ'ব।

৩২) অংগনৱাড়ী কেন্দ্ৰসমূহ সুচাৰুৰূপে চলি থকাৰ বাবে ২০১৩-১৪ বৰ্ষত ৫৬২২০ টা "মাতৃ সহায়ক গোট" গঠন কৰা হৈছে। শিশুৰ অধিকাৰসমূহৰ সুৰক্ষা, মহিলা সৱলীকৰণ আৰু মহিলাসকলক গাৰ্হস্থ হিংসাৰ পৰা সুৰক্ষিত কৰা, অক্ষম ব্যক্তি সকলৈ নিৰনুৱা ভাত্তা প্ৰদানৰ দিশত পদক্ষেপ লৈ থকা হৈছে। বয়োজ্যেষ্ঠসকলৰ বাবে বৃদ্ধ আৱাস আৰু স্বাস্থ্য প্ৰযত্ন তথা আশ্ৰয়হীন লোকৰ বাবে থকা নৈশ আশ্ৰয়গৃহ সমূহলৈ প্ৰয়োজনীয় সাহায্য আগবঢ়োৱা হৈছে।

৩৩) ভাৰত চৰকাৰে ২০১৩ চনৰ ১০ চেপ্তেম্বৰত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনখনৰ জাননী জাৰি কৰিছে। এই আঁচনিখনৰ অধীনত অসমৰ গ্ৰামাঞ্চলৰ ২.২৫ কোটি আৰু নগৰাঞ্চলৰ ২৬.৫ লাখ লোক উপকৃত হ'ব। আঁচনিখনৰ অধীনত প্ৰতিকেজিত ৩ টকা দৰত চাউল আৰু প্ৰতি কেজিত ২ টকা দৰত ঘেহু উপলব্ধ কৰা হ'ব। আঁচনিখন ৰাজ্যখনত শীঘ্ৰে আৰম্ভ কৰা হ'ব। এটি খাদ্য আৰু অসামৰিক যোগান নিগম স্থাপনৰ বাবেও মই সিদ্ধান্ত গ্ৰহণ কৰিছো। খাদ্য সুৰক্ষা আইনৰ অধীনত বিতৰণৰ বাবে এই নিগমে ৰাজ্যত উৎপাদিত চাউল ক্ৰয় কৰিব। ইয়াৰ দ্বাৰা কৃষক সকলেও উচিত মূল্য পাবলৈ সক্ষম হ'ব।



৩৪) মই জনাবলৈ পাই সুখী হৈছো যে ২০১২-১৩ বৰ্ষত অসমত সৰ্ব্বকালৰ সৰ্ব্বোচ্চ ৫২.৩৩ লাখ মেট্ৰিকটন ধান উৎপাদনেৰে সৰ্ব্বমুঠ খাদ্য-শস্য উৎপাদনৰ পৰিমাণ হ'ল ৫৬ লাখ মেট্ৰিকটন । ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে আমাৰ ৰাজ্যখনে দেশৰ ধান উৎপাদনৰ ক্ষেত্ৰত যোগোৱা এই অৱদানৰ কথা স্বীকাৰ কৰিছে। ২০১২-১৩ বৰ্ষত আৰম্ভ কৰা দ্ৰুতৰপীয়া কৃষি-কৰ্ম অভিযানৰ ইতিবাচক প্ৰভাৱ ৰাজ্যখনত পৰিলক্ষিত হৈছে। ২০১৪-১৫ বৰ্ষত ধান, মাহজাতীয় শস্য, তৈলবীজ আৰু খাদ্য-শস্যৰ উৎপাদন বৃদ্ধিৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হ'ব ।

৩৫) ২০১৪-১৫ বৰ্ষত ক্ষুদ্ৰ জলসিঞ্চন ব্যৱস্থাক উদ্‌গণি জনোৱাৰ অৰ্থে সা-সজুঁলিসহ পাৱাৰ-টিলাৰ, অগভীৰ নলীনাদ, আৰু ডিজেল পাম্প বিতৰণ কৰিবলৈ প্ৰস্তাৱ লোৱা হৈছে। সংহত ধান ক্ৰয় কেন্দ্ৰ, সংহত প্ৰশিক্ষণ কেন্দ্ৰ, বজাৰ গৃহ, গুডাম ঘৰ আৰু আধুনিক ধান বনা কলসমূহ উন্নত কৰা হ'ব। ৰাজ্যখনৰ ক্ষুদ্ৰ আৰু উপান্ত খেতিয়কসকলে কৰা কৃষিজাত সামগ্ৰীসমূহৰ উৎপাদন বৃদ্ধিৰ ওপৰত চৰকাৰে গুৰুত্ব প্ৰদান কৰিব।

৩৬) মোৰ চৰকাৰে অধিক স্ব-নিয়োজনৰ সা-সুবিধা প্ৰদান কৰাৰ অৰ্থে দুগ্ধ পাম, হাঁহ কুকুৰাৰ পাম, গাহৰি পাম, হাঁহ পালন পাম আৰু ছাগলী পামৰ উন্নয়নৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰি আছে। বৰপেটাত অত্যাধুনিক প্ৰযুক্তিৰে এটা নতুন

ষাঁড়গৰুৰ শীতলীকৃত বীৰ্য্য কেন্দ্ৰ (এফ এচ বি) স্থাপন কৰিবলৈ লোৱা হৈছে।

৩৭) ২০১৩-১৪ বৰ্ষত তিনিখন স্বাস্থ্যসন্মত মাছৰ বজাৰ স্থাপন কৰা হৈছে। কামৰূপ জিলাৰ আমৰঙাত থকা আঞ্চলিক মীন প্ৰশিক্ষণ কেন্দ্ৰত আলংকৰিক মাছৰ প্ৰদৰ্শণ তথা গৱেষণা গোট এটা স্থাপন কৰা হৈছে। লখিমী নামৰ মহিলা সবলীকৰণ আঁচনিখনৰ অধীনত মহিলা আত্ম-সহায়ক গোটসমূহৰ জৰিয়তে ১৫০ হেক্টৰ মাটিত কিছুসংখ্যক নতুন পুখুৰী খন্দাৰ কাম হাতত লোৱা হৈছে।

৩৮) ২০১৩ চনৰ মাৰ্চলৈ ৮.৩২ লাখ হেক্টৰ ভূমি জলসিঞ্চনৰ সম্ভাৱনীয়তাৰে সামৰি লোৱা হৈছে। ধনশিৰি, বুঢ়ীদিহিং আৰু বৰলীয়াত তিনিটা প্ৰধান/মজলীয়া প্ৰকল্পৰ কাম-কাজে অগ্ৰগতি লাভ কৰিছে।

৩৯। "বশিষ্ঠ বাহিনী জলচ্ছেদৰ জৈৱ-বৈচিত্ৰতা সংৰক্ষণ, গুৱাহাটী" শীৰ্ষক প্ৰকল্পৰ অধীনত বৃহত্তৰ গুৱাহাটীত আকস্মিক বান নিয়ন্ত্ৰণ, ভূমিস্খলন ৰোধ আৰু জমা হোৱা গেদৰ পৰিমাণ হ্ৰাসৰ কাম ২০১৪-১৫ বৰ্ষত চলি থাকিব। ভৰলু, বাহিনী আৰু গুৱাহাটীৰ আশে-পাশে থকা প্ৰাকৃতিক জলধাৰ সমূহক প্ৰদুষণ মুক্ত কৰিবলৈ বিশেষ ব্যৱস্থা লোৱা হ'ব। ৰাজ্যৰ অন্য নদীসমূহ আৰু জলাশয় সমূহো প্ৰদুষণ মুক্ত কৰি ৰাখিবৰ কাৰণে এনে ব্যৱস্থা গ্ৰহণ কৰা হ'ব।



৪০। ফৰাছী উন্নয়ন সংস্থাৰ অৰ্থসাহায্যত বন আৰু জৈৱ-বৈচিত্ৰতা সংৰক্ষণ বিষয়ক এক প্ৰকল্প আৰম্ভ কৰা হৈছে আৰু ২০১৪-১৫ বৰ্ষত ১০০০০ হেক্টৰ ভূমিত খৰিৰ বাবে ব্যৱহাৰোপযোগী বৃক্ষৰোপণৰ প্ৰস্তাৱ হাতত লোৱা হৈছে। সুৰক্ষিত অঞ্চল আৰু অন্যান্য বন্যপ্ৰানী সংৰক্ষিত বনাঞ্চলত চোৰাং চিকাৰীক প্ৰতিহত কৰাৰ অৰ্থে অত্যাধুনিক অস্ত্ৰ ক্ৰয় কৰি বন্যপ্ৰাণীৰ সুৰক্ষাৰ বাবে দৃঢ় পদক্ষেপ লোৱাও হৈছে।

৪১। ২০১২-১৩ বৰ্ষত ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা অভিযানখন ৰূপায়ণৰ বাবে ৪৪ টা উন্নয়ন খণ্ড সামৰি লোৱা হৈছে, ৩৮৩৫ টা নতুন আত্মসহায়ক গোট উন্নীতকৰণ, ৬৬০৮ টা পুৰণি আত্মসহায়ক গোটক পুনৰুজ্জীৱিতকৰণ, শক্তিশালীকৰণ, ১৮৫৯ টা গ্ৰামীনসংস্থা গঠন কৰা হৈছে। আত্মসহায়ক গোটসমূহলৈ আগবঢ়াই থকা বিত্তীয় সাহায্য আগবঢ়োৱা আঁচনিসমূহো অব্যাহত থাকিব।

৪২। আৰ্থ-সামাজিক আৰু জাতি লোকপিয়ল, ২০১১ ৰ কামকাজ চলি আছে আৰু ইয়াৰ ফলাফলে বিভিন্ন হস্তক্ষেপৰ জৰিয়তে উপান্ত গোট আৰু পৰিয়ালসমূহক লক্ষ্য হিচাপে লোৱাৰ বাবে ৰাজ্য চৰকাৰক সহায় কৰিব।

৪৩। মোৰ চৰকাৰে গ্ৰামাঞ্চলত স্থায়ী সম্পদ সৃষ্টিৰ ওপৰত বিশেষ জোৰ দিছে। তদুপৰি, মই এইটো জনাবলৈ পাই সুখী হৈছো যে পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহত মহিলা

প্ৰতিনিধিৰ সংৰক্ষণ ৫০ শতাংশ কৰাৰ বাবে অসম পঞ্চায়ত (সংশোধন) আইন, ২০১১ খন পাৰিত কৰা হৈছে।

৪৪। উন্নত পথ যোগাযোগ ব্যৱস্থা সুনিশ্চিতকৰণৰ বাবে মোৰ চৰকাৰে সকলো বতৰৰ উপযোগী পথ নিৰ্মাণ আৰু উন্নীতকৰণৰ ওপৰত সৰ্বদা গুৰুত্ব প্ৰদান কৰি আহিছে। ২০০১ বৰ্ষৰ পৰা ২১,০০০ কিঃ মিটাৰতকৈও অধিক সকলো বতৰৰ উপযোগী পথ আৰু ৩৩০০ ত কৈও অধিক পকী দলঙৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰা হৈছে। তদুপৰি, ৫০০০ কিঃ মিটাৰ পথ আৰু ১৪০০ খন দলঙৰ নিৰ্মাণ কাৰ্য বিভিন্ন পৰ্যায়ত আছে। আন্তঃৰাজ্যিক সীমান্তসমূহত পথ যোগাযোগ ব্যৱস্থা উন্নয়নৰ উপৰি প্ৰধান জিলা পথ আৰু ৰাজ্যিক ঘাইপথসমূহৰ উন্নীতকৰণৰ ওপৰতো গুৰুত্ব প্ৰদান কৰা হৈছে।

৪৫। জনসাধাৰণলৈ বিশুদ্ধ খোৱাপানী যোগান ধৰাটো মোৰ এক অগ্ৰাধিকাৰৰ বিষয়। আৰ্চেনিক আৰু ফ্ল'ৰাইডযুক্ত পানীৰ সমস্যাটো নিৰাময়ৰ বাবে পাইপেৰে যোগান ধৰা পানীৰ বহু সংখ্যক আঁচনি ৰূপায়িত হৈ আছে। ২০১৪-১৫ বৰ্ষৰ সময়ছোৱাত ৬৫০০ টা আংশিকভাৱে সামৰা জনবসতি অঞ্চল আৰু ৩৫০০ টা পানীৰ গুণগত সমস্যাত আক্ৰান্ত জনবসতি অঞ্চলক সামৰি লোৱাৰ প্ৰস্তাৱ লোৱা হৈছে।

৪৬। একাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ শেষলৈ ৪৪৭৩৮২ কিঃমিটাৰ মথাউৰি, ৮৮৪ টা খহনীয়া প্ৰতিৰোধী



আৰু নগৰ সুৰক্ষিতকৰণৰ কাম-কাজ, ৮৭৪.৯৭ কিঃ মিটাৰ নলা-নৰ্দমা নিৰ্মাণ কৰা হৈছে। গুৱাহাটীস্থিত অসম জল গৱেষণা আৰু ব্যৱস্থাপনা প্ৰতিষ্ঠানত এই দিশত দেশৰ ভিতৰতে দ্বিতীয় 'ব্ৰহ্মপুত্ৰ উপত্যকা বীথিকা' শীঘ্ৰে স্থাপন কৰা হ'ব।

৪৭। ৰাজ্য চৰকাৰৰ নিৰন্তৰ প্ৰচেষ্টা আৰু এলানি পদক্ষেপৰ ফলশ্ৰুতিত ৰাজ্যখনত বিনিয়োগৰ বাতাৱৰণ চকুত পৰাকৈ উন্নত হৈছে। এনে প্ৰচেষ্টা আৰু পদক্ষেপৰ প্ৰতি সঁহাৰি জনাই ৰাজ্যৰ উদ্যোগ আৰু বাণিজ্য খণ্ডত বিনিয়োগ কৰিবলৈ অনেক লোক আগ বাঢ়ি আহিছে। ২০১৪-১৫ বৰ্ষত আমি ঔদ্যোগিক আন্তঃগাঁথনি সৃষ্টি, দক্ষতা বৃদ্ধি, পৰম্পৰাগত উদ্যোগৰ বাবে উদ্‌গনি আঁচনি আৰু অনুসূচীত জাতি/জনজাতিৰ উদ্যোগীৰ বাবে বিশেষ আঁচনি, গুণমান উন্নীতকৰণ আৰু বিপণন সাহায্যৰ ওপৰত বিশেষ গুৰুত্ব দিম। বৰ্তমানে থকা ঔদ্যোগিক পামসমূহৰ উন্নীতকৰণ আৰু বৰ্দ্ধনৰ কাম চলি থাকিব। 'ল'জিষ্টিক হাব' আৰু আন্তঃৰাজ্যিক সীমান্ত বাণিজ্য কেন্দ্ৰ স্থাপনৰো প্ৰস্তাৱ লোৱা হৈছে। বৰপেটাত এখন আতচবাজী গাওঁ স্থাপনৰ বাবে যথোচিত পুঁজি যোগান ধৰা হ'ব। সৰ্থেবাৰীৰ কাঁহ-পিতলৰ শিল্পীৰ বাবে কেঁচা সামগ্ৰীৰ অনুদান প্ৰদান আৰু অসমীয়া গহনাৰ বিকাশৰ বাবে নতুন আঁচনি প্ৰৱৰ্তন কৰা হ'ব।

৪৮। সমন্বিত হস্ততাঁত উন্নয়ন আঁচনিৰ অধীনত ৫১ টা 'ক্লাষ্টাৰ এপ্ৰ'ছ প্ৰজেক্ট, ৯৫ টা 'গ্ৰুপ এপ্ৰ'ছ প্ৰজেক্ট' ৰাজ্যত ৰূপায়ণ কৰি থকা হৈছে। কাৰখানাৰ দৰতেই শিপিনীক সূতা প্ৰদানৰ উদ্দেশ্যে ২৭ টা সূতা বেংক স্থাপনৰ কাম চলি আছে। অসম বিকাশ যোজনাৰ অধীনত ২০১৪-১৫ বৰ্ষত এক লাখ শিপিনীলৈ বিনামূলীয়া সূতা দিয়া হ'ব। ১০ খন জিলাত ১০ (দহ) খন আদৰ্শ ৰেচম গাওঁ স্থাপন কৰি থকা হৈছে। জীৱন জ্যোতি আৰু বয়নজ্যোতি আঁচনিত অধিক সংখ্যক হিতাধীকাৰীক সামৰি লোৱা হ'ব। ২০১৪-১৫ বৰ্ষৰ পৰা ৰেচম পলুৰে খোৱা গছ ৰোপণৰ কাম এম জি এনৰেগাত অন্তৰ্ভূক্ত কৰা হৈছে। ৰাজ্যৰ দ্বিতীয়টো লেটা বেংক লখিমপুৰত স্থাপন কৰি থকা হৈছে। গুৱাহাটীৰ খানাপাৰাত এটা ৰেচম সংগ্ৰহালয় স্থাপনৰ কাম চলি আছে। ৰাজ্যৰ বোৱনীসকলক উপকৃত কৰাৰ বাবে হস্ততাঁত আৰু ৰেচম খণ্ডলৈ আৰ্থিক সাহায্য বৃদ্ধি কৰা হ'ব।

৪৯। ৰাজ্যখনত বিদ্যুৎ যোগানৰ পৰিস্থিতি উন্নত হৈছে। বঙাইগাঁও তাপ বিদ্যুৎ প্ৰকল্পৰ ২৫০ মেগাৱত শক্তি সম্পন্ন প্ৰথম খণ্ডৰ উৎপাদন চলিত বৰ্ষৰ ভিতৰতে আৰম্ভ কৰা হব বুলি আশা কৰা হৈছে। বিদ্যুৎৰ সৰ্বোচ্চ চাহিদা থকা সময়ত ই চাহিদা আৰু যোগানৰ মাজত ব্যৱধান হ্ৰাস কৰাত সহায়ক হব। আৰ জি জি ভি ৱাই, এ পি এচ ই আই পি, আৰ এ পি ডি আৰ পি, বাণিজ্য উন্নয়ন পুঁজিৰ জৰিয়তে বিত্তীয় সাহায্য প্ৰদান কৰা বিভিন্ন প্ৰকল্প আৰু আঁচনিসমূহ সুচাৰুৰূপে চলি আছে আৰু ৰাজ্যৰ শক্তি খণ্ডত আন্তঃগাঁথনি উল্লেখযোগ্যভাৱে উন্নত হোৱাৰ আশা কৰা হৈছে। ৩ (তিনি) মেগাৱাট শক্তিসম্পন্ন মিনট্ৰিয়াং ক্ষুদ্ৰ জলবিদ্যুৎ প্ৰকল্প পৰ্যায়-II ৰ ব্যৱসায়িক উৎপাদন ২০১৪ চনৰ মাৰ্চ মাহৰ পৰা আৰম্ভ হোৱাৰ আশা কৰা হ'ব। ৬ মেগাৱাট শক্তিসম্পন্ন পৰ্যায়-I ৰ উৎপাদনো ২০১৪ চনৰ ডিচেম্বৰৰ ভিতৰত আৰম্ভ হ'ব বুলি আশা কৰা হৈছে। শক্তি উৎপাদন, পৰিবহন তথা বিতৰণ প্ৰকল্প সমূহ সম্পূৰ্ণ হোৱাৰ পিচত ৰাজ্য খন শক্তি খণ্ডত স্বাৱলম্বী হ'ব।



৫০। অসমৰ মহাবিদ্যালয়সমূহত তথ্য প্ৰযুক্তি আন্তঃগাঁথনি, দ্ৰুত গতিসম্পন্ন যোগসূত্ৰ স্থাপন আৰু অসম জ্ঞানপুঞ্জ উপলব্ধ কৰা হ'ব। বৈদ্যুতিন পদ্ধতিৰ আৰ্হি আৰু তৈয়াৰ আঁচনিৰ জৰিয়তে ৰাজ্যখনত বৈদ্যুতিন হাৰ্ডৱেৰ উৎপাদন উন্নীতকৰণৰ বাবে প্ৰস্তাৱ কৰা হৈছে। চফ্টৱেৰ ৰপ্তানি আৰু উদ্যোগ বিকাশৰ বাবে কামৰূপ জিলাৰ বঙৰা গাঁৱত এখন তথ্য প্ৰযুক্তি উদ্যান স্থাপনৰ প্ৰাথমিক কামো চলি অছে। বিদ্যাৰ্থী তথা নিবনুৱা যুৱক সকলৰ তথ্য প্ৰযুক্তিৰ ক্ষেত্ৰত সামৰ্থ বৃদ্ধিৰ ওপৰত গুৰুত্ব দিয়া হ'ব।

৫১।  সোণাপুৰত এখন বিজ্ঞান নগৰী স্থাপনৰ পদক্ষেপ লোৱা হৈছে। কৃষি ক্ষেত্ৰৰ স্থায়ী উন্নয়নৰ সুবিধাৰ্থে ৰাজ্যত এক কৃষি সম্বন্ধীয় গৱেষণা তথা প্ৰযুক্তি বিকাশ কৰি থকা হৈছে। উদ্ভাৱনমূলক ধাৰণা আৰু প্ৰকল্পক উদ্‌গনি দিয়াৰ লগতে সাহায্য প্ৰদান কৰা হ'ব।

৫২।  গুৱাহাটীত এক ব্যাপক খোৱাপানী যোগান ব্যৱস্থা স্থাপন, দ্ৰুত গণ পৰিবহন ব্যৱস্থা স্থাপন, বৃহৎ নলা-নৰ্দমা প্ৰকল্পৰ নিৰ্মাণ আৰু জলাশয়সমূহৰ পুনৰুদ্ধাৰ তথা সংৰক্ষণৰ বাবে প্ৰচেষ্টা অব্যাহত আছে। গুৱাহাটী মহানগৰৰ বাবে এটা বৃহৎ পয় প্ৰণালী প্ৰকল্পৰ বিস্তৃত প্ৰকল্প প্ৰতিবেদন ভাৰত চৰকাৰক দাখিল কৰা হৈছে। এই প্ৰকল্প শীঘ্ৰে অনুমোদিত হব বুলি আশা কৰা হৈছে।

৫৩।  সংহত গৃহ নিৰ্মাণ আৰু বস্তি অঞ্চল উন্নয়ন (আই এইচ এচ ডি পি) আঁচনিৰ অধীনত চহৰ অঞ্চলত বসবাস কৰা দৰিদ্ৰলোকৰ বাবে ১৯৬১ টা গৃহ নিৰ্মাণ কৰা হৈছে। ৰাজ্যখনৰ ৫০ খন নগৰত অসম নগৰ পানী যোগান আৰু অনাময় পৰিষদে ৫৮ খন নগৰ পানী যোগান আঁচনি ৰূপায়ণৰ কাম হাতত লৈছে।

৫৪।  ৰাজ্যখনত থকা পৰ্যটনৰ প্ৰচুৰ সম্ভাৱনীয়তাক কামত লগোৱাৰ অৰ্থে পৰ্যটন আৱৰ্তসমূহৰ উন্নয়ন সাধনৰ উপৰি পৰিবেশ-পৰ্যটন প্ৰকল্পসমূহক উদ্‌গনি প্ৰদান, নৌকা



বিহাৰ, পৰ্যটন চৌহদ নিৰ্মাণ, পৰ্যটন নিবাসৰ উন্নীতকৰণ আৰু বুৰঞ্জীপ্ৰসিদ্ধ স্থানসমূহৰ উন্নয়ন সাধন তথা সৌন্দৰ্যবৰ্দ্ধনৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছে। যোৰহাটত নিৰ্মাণৰত হোটেল ব্যৱস্থাপনা প্ৰতিষ্ঠানখন ২০১৪-১৫ শৈক্ষিক বৰ্ষৰ পৰা কাৰ্য্যক্ষম হ'ব বুলি আশা কৰা হৈছে।

৫৫।  ৰাজ্যখনত ক্ৰীড়াৰ আন্তঃগাঁথনিৰ উন্নয়নৰ ওপৰত মোৰ চৰকাৰে বিশেষ গুৰুত্ব আৰোপ কৰিছে। উন্নয়ন খণ্ড পৰ্যায়ত ১৬ টা ৰাজীৱ গান্ধী ক্ৰীড়া প্ৰকল্প নিৰ্মাণৰ কাম অব্যাহত আছে আৰু ২০১৪-১৫ বৰ্ষত এনেধৰণৰ ৩০ টা প্ৰকল্প নিৰ্মাণৰ কাম হাতত লোৱাৰ প্ৰস্তাৱ লোৱা হৈছে। পৰ্বতাৰোহণ আৰু দুঃসাহসিক ক্ৰীড়াৰ উৎকৰ্ষ সাধনৰ অৰ্থে গুৱাহাটীত এটা উৎকৰ্ষতাৰ কেন্দ্ৰও স্থাপন কৰিবলৈ লোৱা হৈছে। পঞ্চায়ত যুৱ-ক্ৰীড়া আৰু খেল-অভিযানৰ অধীনত গাঁও পঞ্চায়ত পৰ্যায়ত ৬৬৬ খন খেল পথাৰ আৰু উন্নয়ন খণ্ড পৰ্যায়ত ৪৪ খন খেলপথাৰৰ উন্নয়ন সাধন কৰা হ'ব। উচ্চ প্ৰতিভাসম্পন্ন ক্ৰীড়াবিদসকললৈ বিশেষ প্ৰশিক্ষণ প্ৰদানৰ অৰ্থে এখন ফুটবল একাডেমি আৰু এখন বক্সিং একাডেমি স্থাপনৰো প্ৰস্তাৱ লোৱা হৈছে।

৫৬।  ৰাজ্যখনত বসবাস কৰা বিভিন্ন থলুৱা জাতি-জনগোষ্ঠীৰ বৰ্ণিল সাংস্কৃতিক ঐতিহ্যৰ সংৰক্ষণ আৰু উন্নয়ন সাধনৰ প্ৰতি আমি প্ৰতিশ্ৰুতিবদ্ধ। নাজিৰাখাটত উত্তৰ-পূব

জনজাতি সংগ্ৰহালয় আৰু সাংস্কৃতিক কেন্দ্ৰ, বিভিন্ন উন্নয়ন খণ্ডত জ্যোতি-বিষ্ণু সাংস্কৃতিক প্ৰকল্প, চাপবত শৰৎ চন্দ্ৰ সিংহ স্মাৰক প্ৰকল্প আৰু তিনিচুকীয়াত শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ সাংস্কৃতিক প্ৰকল্প নিৰ্মাণ কৰা হৈছে। ৰাজ্যখনৰ গ্ৰাম্য পুথিভঁৰালসমূহৰ উন্নয়ন সাধনৰ বাবে পদক্ষেপ লোৱা হৈছে।

৫৭। নতুন আদালত স্থাপন, নিম্ন আদালতসমূহৰ বাবে আন্তঃগাঁথনিমূলক সা-সুবিধাৰ উন্নয়ন সাধন আৰু মহিলা সম্পৰ্কীয় অপৰাধমূলক ঘটনাসমূহৰ বিচাৰৰ বাবে ক্ষীপ্ৰ আদালত স্থাপনৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে।

৫৮। সুৰাসক্ত হৈ আৰু অধিক বেগত কৰা গাড়ী চালনাৰ দৌৰাত্ম্য ৰোধ কৰাৰ অৰ্থে চৰকাৰে ২২ টা শ্বাস বিশ্লেষক আৰু ৮ টা যান-বাহন অৱৰোধক ক্ৰয় কৰিছে। সকলো জিলা পৰিবহন কাৰ্যালয়কে কম্পিউটাৰাইজ্‌ড কৰা হৈছে। ভিতৰুৱা এলেকাসমূহত আভ্যন্তৰীণ জল-পৰিবহন ব্যৱস্থাৰ সা-সুবিধাসমূহ বৃদ্ধিৰ অৰ্থে শদিয়া আৰু ধুবুৰীৰ বাবে দুখন তীখাৰ মাৰ-নাও আৰু দুটা দীঘল তীখাৰ আৰ পি এলৰ সেৱা আৰম্ভ কৰা হৈছে। ২০১৩-১৪ বৰ্ষত ১২০ খন বাছ ক্ৰয় কৰিবলৈ লোৱা হৈছে। অসম বিকাশ যোজনাৰ অধীনত বিগত চাৰি বছৰত ৪৪০ খন বাছ ক্ৰয় কৰা হৈছে আৰু ৰাজ্যখনৰ গ্ৰামাঞ্চল আৰু ভিতৰুৱা অঞ্চলসমূহত ইয়াৰ সেৱা আৰম্ভ কৰা হৈছে। এই বাছসমূহে গ্ৰামাঞ্চলৰ পৰিবহন দৃশ্যপটত যথেষ্ট পৰিবৰ্তন সাধন কৰিবলৈ সক্ষম হৈছে। জৱাহৰলাল নেহৰু ৰাষ্ট্ৰীয় নগৰীয়া নৱীকৰণ অভিযান (JNNURM) আঁচনিৰ অধীনত অসম ৰাজ্যিক পৰিবহন নিগমে ১৮২ খন বাছ লাভ কৰিছে।

৫৯। কোকৰাঝাৰ, চিৰাং, কাৰ্বি আংলং আৰু ধুবুৰী জিলাৰ সংঘৰ্ষপীড়িত পৰিয়ালৰ সাহায্য আৰু পুনৰসংস্থাপনৰ বাবে যথোচিত পুঁজি মুকলি কৰি দিয়া হৈছে। অসম ভূমি বেদখল (প্ৰতিৰোধ) আইন, ২০১০ ৰ অধীনত বিধিসমূহ প্ৰণয়ন কৰা হৈছে। এক নতুন ভূমি নীতি প্ৰস্তুত কৰাৰ বাবে এখন উচ্চক্ষমতাসম্পন্ন সমিতি গঠন কৰা হৈছে আৰু এই সমিতিয়ে শীঘ্ৰেই অনুমোদনাৱলী দাখিল কৰিব বুলি আশা কৰা হৈছে। মোৰ চৰকাৰে মোহৰ শুল্কৰ হাৰ আৰু পঞ্জীয়নৰ মাচুল পুৰুষৰ ক্ষেত্ৰত ৫ শতাংশ, যুটীয়া পঞ্জীয়নৰ ক্ষেত্ৰত ৪ শতাংশ আৰু মহিলা পঞ্জীয়নকাৰীৰ ক্ষেত্ৰত ৩ শতাংশলৈ হ্ৰাসৰ সিদ্ধান্ত লৈছে। 'কেডেষ্ট্ৰেল' মানচিত্ৰৰ ডিজিটাইজ্‌কৰণৰ কাম চলি আছে।

৬০। ২০১৩-১৪ বৰ্ষত ওদালগুৰি-ভৈৰৱকুণ্ড পথ, যোৰহাট জিলাৰ গাহৰিচোৱাৰ পৰা বান্দৰচলিহালৈ পকী দলং আৰু ১০ টা হিউম পাইপযুক্ত কালভাৰ্ট নিৰ্মাণ আৰু কোকৰাঝাৰ জিলাৰ উল্টাপানীত খোৱাপানীৰ প্ৰকল্পৰ দৰে বৃহৎ আন্তঃগাঁথনিৰ প্ৰকল্পৰ কাম সীমান্ত অঞ্চলত সম্পূৰ্ণ হৈছে।

আন্তঃৰাষ্ট্ৰীয় সীমান্ত অঞ্চলত বসবাস কৰা যুৱক-যুৱতীক উন্নত নিয়োগৰ সুবিধা প্ৰদানৰ অৰ্থে দক্ষতা উন্নয়ন বৃদ্ধিৰ কাৰ্যসূচী লোৱা হৈছে।

৬১। সমাজৰ পিছপৰা শ্ৰেণীৰ কল্যাণৰ বাবে মোৰ চৰকাৰ অতিকৈ সজাগ। অনুসূচিত জাতি/অনুসূচিত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ লোকৰ আৰ্থ-সামাজিক উন্নয়নত গুৰুত্ব দিয়াৰ অৰ্থে চৰকাৰে অনুসূচীত জাতি, অনুসূচীত জন-জাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ বাবে সুকীয়া সঞ্চালকালয় স্থাপনৰ সিদ্ধান্ত লৈছে যাতে এই শ্ৰেণীৰ লোকসকলক বিশেষ মনোযোগ দিব পৰা যায়। চলিত বৰ্ষত ২৮৭৪৯ জন ভৈয়াম জনজাতি শিক্ষাৰ্থীক ১০১০ লাখ টকাৰ জলপানি দিয়া হৈছে, ৮৯১৮৬ অন্যান্য পিছপৰা জাতিৰ শিক্ষাৰ্থীক মুঠ ১৯৮৭ লাখ টকাৰ জলপানি প্ৰদান কৰা হৈছে। একেদৰে ৫৪৬৯৯ জন অনুসূচীত জাতিৰ শিক্ষাৰ্থীক মুঠ ১০৯০ লাখ টকাৰ জলপানি প্ৰদান কৰা হৈছে। ৬ খন স্বায়ত্তশাসিত পৰিষদ আৰু ১৮ খন উন্নয়ন পৰিষদৰ সৰ্বাঙ্গীন উন্নয়নৰ বাবে যোগান ধৰা পুঁজিৰ পৰিমাণো বৃদ্ধি কৰা হ'ব।

৬২। ৰাজ্যৰ পাৰ্বত্য এলেকাত শক্তি যোগান, খোৱা পানী, স্বাস্থ্য সেৱা, শিক্ষা, পৰিবহন আৰু যোগাযোগ ব্যৱস্থাৰ দৃশ্যপট উন্নীতকৰণৰ ক্ষেত্ৰত মোৰ চৰকাৰে বিশেষ গুৰুত্ব দিছে। ডিফুত অসম পাৰ্বত্য চিকিৎসা মহাবিদ্যালয় আৰু



গৱেষণা প্ৰতিষ্ঠানৰ নিৰ্মাণৰ কাম চলি আছে। পাৰ্বত্য জিলা কেইখনত অসম পাৰ্বত্য অভিযান্ত্ৰিক মহাবিদ্যালয় আৰু অসম পাৰ্বত্য বিশ্ববিদ্যালয় স্থাপনৰো প্ৰস্তাৱ লোৱা হৈছে। তদুপৰি, ডিফুত জয়সিং দলৈ প্ৰেক্ষাগৃহ নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈছে।

৬৩। চাহ জনজাতি আৰু প্ৰাক্তন চাহ জনজাতিৰ ২,৪০,৪৯১ গৰাকী শিক্ষাৰ্থীলৈ প্ৰাক্-প্ৰৱেশিকা আৰু প্ৰৱেশিকোত্তৰ জলপানি প্ৰদান কৰা হৈছে। ভাৰতবৰ্ষৰ ভিতৰত আৰু বিদেশত উচ্চ শিক্ষা অধ্যয়নৰত ৯৯৩২ জন শিক্ষাৰ্থীলৈ আৰ্থিক সাহায্য আগবঢ়োৱা হৈছে। ৫১ টা নিপুণতা বৃদ্ধি প্ৰশিক্ষণ কেন্দ্ৰৰ কাম-কাজ আৰম্ভ হৈছে। বিভিন্ন জিলা আৰু মহকুমা সদৰত চাহ সম্প্ৰদায়ৰ অভাৱগ্ৰস্ত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে ছাত্ৰ নিবাস আৰু ছাত্ৰী নিবাসৰ সুবিধা আগবঢ়োৱা হৈছে।

৬৪। চৰ-চাপৰি অঞ্চলসমূহত কৃষিৰ যান্ত্ৰিকীকৰণৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা হৈছে। বিভিন্ন খণ্ডত চলি থকা আঁচনিসমূহ ৰূপায়ণৰ বাবে পৰ্যাপ্ত পুঁজি প্ৰদান কৰা হ'ব। গুৱাহাটীৰ জালুকবাৰীত হজ ভৱনৰ নিৰ্মাণ কাৰ্য সন্তোষজনকভাৱে আগবাঢ়িছে। চলিত বিত্তীয় বৰ্ষত ২১০৫৭৩ জন সংখ্যালঘু ছাত্ৰ-ছাত্ৰীলৈ ৫৮.১২ কোটি টকাৰ জলপানী আগবঢ়োৱা হৈছে। সংখ্যালঘুসকলৰ শিক্ষাৰ কাৰণে এখন বিশেষ আঁচনি গ্ৰহণ কৰা হ'ব।

৬৫। বিভিন্ন উপলক্ষত মই নতুন উন্নয়নমূলক আঁচনিৰ লগতে বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানলৈ অনুদান আগবঢ়োৱাৰ কথা ঘোষণা কৰিছো। সেইবোৰ সময় নিৰ্দ্ধাৰিতভাৱে পূৰণৰ ক্ষেত্ৰত মই মোৰ দায়বদ্ধতাৰ কথা পুনৰবাৰ দোহাৰিছো। ৰূপায়ণ প্ৰক্ৰিয়াৰ পদক্ষেপসমূহ লোৱাৰ বাবে লেখানুদান বাজেটত সেইসমূহৰ ব্যৱস্থা ৰখা হৈছে।

৬৬ (১) বৰ্তমান সমাজত সংবাদ মাধ্যমে এটা অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। এই ক্ষেত্ৰত সাংবাদিকসকলে আগবঢ়োৱা উৎকৃষ্ট সেৱাৰ বাবে ৰাজ্য চৰকাৰে স্বীকৃতি প্ৰদান কৰিবলৈ বিচাৰিছে। এই দিশত এটা "শ্ৰেষ্ঠ সাংবাদিক বঁটা" প্ৰৱৰ্তন কৰা হ'ব।

৬৬ (২) যিহেতু কৃষি আৰু অন্যান্য খণ্ডত বহুতো ক্ষুদ্ৰ গ্ৰাম্য উৎপাদনকাৰীয়ে উৎপাদিত সামগ্ৰীৰ বিক্ৰীৰ বাবে প্ৰত্যক্ষ বজাৰৰ সুবিধা লাভ কৰিবলৈ সক্ষম নহয়, সেয়েহে তেওঁলোকে উৎপাদিত সামগ্ৰীসমূহ বিক্ৰী কৰাত অসুবিধাৰ সম্মুখীন হয়। গ্ৰাম্য উৎপাদনকাৰীসকলে যাতে প্ৰত্যক্ষ বজাৰৰ সুবিধা লাভ কৰে আৰু কোনো মধ্যভোগীয়ে যাতে মুনাফা আদায় কৰিব নোৱাৰে, তাৰ বাবে জিলা আৰু মহকুমা সদৰত গ্ৰাম্য হাট-বজাৰ স্থাপন কৰা হ'ব।

৬৬ (৩) সৰ্বসাধাৰণ লোকলৈ ক্ষীপ্ৰ আৰু দক্ষতাপূৰ্ণ সেৱা আগবঢ়োৱাৰ বাবে মোৰ চৰকাৰ আগ্ৰহী। আমি এইটো



স্বীকাৰ কৰো যে, গ্ৰাম্য জনসাধাৰণৰ বাবে এইক্ষেত্ৰত এতিয়াও বহুখিনি কৰিবলৈ বাকী আছে। সেয়েহে, গ্ৰামাঞ্চলত প্ৰশাসনৰ দক্ষতা বৃদ্ধিৰ অৰ্থে এটা গ্ৰাম্য প্ৰশাসনিক সেৱা আৰম্ভ কৰা হ'ব।

৬৬ (৪) চৰকাৰী চিকিৎসালয় সমূহত ৰোগীক বিনামূলীয়াকৈ যোগান ধৰা ঔষধ তথা অন্যান্য অত্যাৱশ্যকীয় সামগ্ৰীসমূহ উপলব্ধ তথা নিৰীক্ষণ কৰাৰ উদ্দেশ্যে এটা স্বাস্থ্য সেৱা নিগম গঠন কৰা হ'ব।

৬৬ (৫) অসমত গাৰো সম্প্ৰদায়ৰ এক বুজন সংখ্যক লোক থকাৰ পৰিপ্ৰেক্ষিতত আৰু তেওঁলোকৰ প্ৰয়োজনীয়তাক স্বীকৃতি প্ৰদান কৰি তথা ৰাজ্যখনত বাস কৰা গাৰো সম্প্ৰদায়ৰ লোকৰ স্বাৰ্থত এখন গাৰো উন্নয়ন পৰিষদ গঠন কৰা হ'ব।

৬৬ (৬) মহিলাৰ অৰ্থনৈতিক আৰু ৰাজনৈতিক সবলীকৰণ আৰু তেওঁলোকলৈ এক সুৰক্ষিত আৰু অনুকূল কৰ্মৰ বাতাৱৰণ প্ৰদান কৰাৰ প্ৰতি মোৰ চৰকাৰ আন্তৰিকতাৰে প্ৰতিশ্ৰুতিবদ্ধ। মহিলাৰ সবলীকৰণৰ উদ্দেশ্যে এখন ৰাজ্যিক মহিলা পৰিষদ গঠন কৰি মহিলাৰ শিক্ষাৰ দিশত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব।

৬৬ (৭) যুৱক-যুৱতীসকলেই হৈছে সমাজৰ চালিকা শক্তি আৰু সমাজৰ কল্যাণৰ বাবে তেওঁলোকৰ সম্ভাৱনীয়তা আৰু

শক্তিক কামত লগোৱাৰ প্ৰয়োজনীয়তা আছে। ৰাজ্যখনৰ যুৱক-যুৱতীসকলৰ স্বাৰ্থত এখন ৰাজ্যিক যুৱ পৰিষদ গঠন কৰা হ'ব।

৬৬ (৮) আজিৰ এজন শিশু কাইলৈ দেশৰ নাগৰিক হ'ব। শিশু সকলক স্বাস্থ্যৱান, শিক্ষিত উপাৰ্জনক্ষম, দায়িত্বশীল তথা সুখী নাগৰিক হিচাপে গঢ়ি তোলাটো আমাৰ আন্তৰিক প্ৰচেষ্টা যাতে তেওঁলোকে ৰাজ্যখনৰ আৰ্থ সামাজিক পুনৰুত্থানৰ বাবে যোগাত্মক অৰিহনা আগবঢ়াব পাৰে। ৰাজ্যখনৰ শিশুসকলৰ স্বাৰ্থ জড়িত বিষয়সমূহ চোৱাচিতাৰ বাবে এখন ৰাজ্যিক শিশু উন্নয়ন পৰিষদ গঠন কৰা হ'ব।

৬৬ (৯) ৰাজ্যত এখন নতুন পেঞ্চন আঁচনি আৰম্ভ কৰা হৈছে। এই আঁচনিখন সমাজৰ দুৰ্বল আৰু আৰ্থিকভাৱে পিছপৰা লোকসকলৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব। এই আঁচনিখন ৰাজ্যৰ অসংগঠিত খণ্ডৰ কৰ্মীসকলৰ লগতে ৰাজ্য চৰকাৰৰ স্বতন্ত্ৰ নিকায়, ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান আদিত কৰ্মৰত নিয়মীয়া কৰ্মীসকলৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব। প্ৰতি গৰাকী ব্যক্তিৰ বাবে ১০০০ টকা বিনিয়োগৰ বিপৰীতে তেওঁৰ হিচাপ বহীত বিনিয়োগৰ বাবে ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰে ১০০০ টকাকৈ বৰঙণি আগবঢ়াব। এই আঁচনি কাৰ্য্যকৰী কৰা দেশৰ কেইখনমান ৰাজ্যৰ ভিতৰত অসমো এখন।



৬৬ (১০) অসংগঠিত খণ্ডত কৰ্মৰত বিভিন্ন গোটে সমাজলৈ প্ৰয়োজনীয় সেৱা আগবঢ়াই আহিছে। তেওঁলোকৰ আৰ্থিক আৰু কাম কৰা অৱস্থা উন্নীতকৰণৰ বাবে সংঘবদ্ধ প্ৰচেষ্টাৰ প্ৰয়োজনীয়তা আছে। ঠেলাৱালা, ৰিক্সাৱালা, ক্ষুদ্ৰ আৰু উপান্ত কৃষক আৰু শ্ৰমিক, ভূমিহীন লোক আৰু হস্তশিল্পীসকলৰ দৰে গোটসমূহৰ সামাজিক আৰু অৰ্থনৈতিক অৱস্থাৰ উন্নীতকৰণৰ বাবে গ্ৰহণযোগ্য বিশেষ আঁচনি হাতত লোৱা হ'ব।

৬৬ (১১) দুষ্কৃতিকাৰীৰ দ্বাৰা মূল্যৱান বন্যপ্ৰাণীসমূহৰ নিধনকাৰ্যৰ সন্দৰ্ভত মোৰ চৰকাৰ উদ্বিগ্ন আৰু বন্যপ্ৰাণীসমূহৰ সুৰক্ষা প্ৰদানৰ প্ৰতি প্ৰতিজ্ঞাবদ্ধ, যিটো ৰাজ্যখনৰ বাবেই এক সন্মানৰ লগত জড়িত বিষয়। চৰকাৰৰ সন্মুখত পাৰিপাৰ্শ্বিক ভাবসাম্যতা ৰক্ষা আৰু বনজ সম্পদৰ সংৰক্ষণ হৈছে কেতবোৰ গুৰুত্বপূৰ্ণ বিষয়। বন্যপ্ৰাণী আৰু পাৰিপাৰ্শ্বিক ভাবসাম্যতাৰ সংৰক্ষণ আৰু সুৰক্ষাৰ বাবে অসম বন সুৰক্ষা বাহিনীৰ শক্তি যথেষ্ট বৃদ্ধি কৰা হ'ব।

৬৬ (১২। দৃষ্টান্তমূলক সামাজিক আচৰণক উৎসাহিত কৰাৰ প্ৰয়োজন, যিহেতু ই সকলোৰে মনত এক ইতিবাচক মূল্যবোধ প্ৰতিষ্ঠা কৰাত সহায় কৰিব। এই ক্ষেত্ৰত গুঞ্জন শৰ্মাৰ নামত এটা সাহসিকতাৰ বঁটা প্ৰদানৰ সিদ্ধান্ত লোৱা হৈছে।

৬৬ (১৩) সম্প্ৰতি ৰাজহ প্ৰশাসনে ১৮৮৬ চনৰ ভূমি ৰাজহ অধিনিয়ম আইনখন ৰূপায়ণ কৰি আছে। এই আইনৰ

ব্যৱস্থাৱলীসমূহ সময়োপযোগী হৈ থকা নাই। ভূমি বেদখল সম্পৰ্কীয় সঘনাই উত্থাপিত ঘটনা আৰু ইয়াৰ মোকাবিলা কৰাৰ অৰ্থে হাতত পদক্ষেপ লোৱাটো হৈছে ৰাজ্য চৰকাৰৰ সন্মুখত এটা প্ৰত্যাহ্বান। ভূমি চিলিং আইনৰ ব্যৱস্থাৱলীসমূহো সম্পূৰ্ণভাৱে ৰূপায়ণ কৰিব লাগিব। দৰিদ্ৰ লোকসকলৰ ভূমিৰ অধিকাৰ সাব্যস্তকৰণত চৰকাৰে বিশেষ গুৰুত্ব প্ৰদান কৰিব বিচাৰিছে। বৰ্তমান পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ১৮৮৬ চনৰ ভূমি ৰাজহ অধিনিয়ম আইনখনৰ উপযুক্ত সংশোধন কৰা হ'ব।

৬৬ (১৪) শ্বেতবিপ্লৱৰ সূচনা কৰাৰ ক্ষেত্ৰত আমাৰ ৰাজ্যখনৰ যথেষ্ট সম্ভাৱনীয়তা আছে। অৱশ্যে চাহিদা বৃদ্ধিৰ অনুপাতে গাখীৰৰ যোগান পৰ্য্যাপ্ত নহয়। এই বিষয়টো গুৰুত্ব সহকাৰে মোকাবিলা কৰাৰ অৰ্থে আৰু ৰাজ্যখনত উপলব্ধ সম্ভাৱনীয়তা কামত লগোৱাৰ বাবে দুগ্ধ উন্নয়ন খণ্ডৰ উন্নয়ন সাধন আৰু পশু খাদ্যৰ উৎপাদন বৃদ্ধিৰ উদ্দেশ্যে এটা নতুন নিগম গঠন কৰা হ'ব।

৬৬(১৫) ৰাজ্যখনৰ বাবে মহাবাহু ব্ৰহ্মপুত্ৰ হৈছে বিভিন্ন ক্ষেত্ৰত আৰ্শীবাদ স্বৰূপ। অৱশ্যে, জটিল পৰিবহনৰ পৰিপ্ৰেক্ষিতত উত্তৰ পাৰ আৰু দক্ষিণ পাৰৰ মাজত ই এটা কৃত্ৰিম কাৰক হিচাপে দেখা দিছে। এই ক্ষেত্ৰত অধিক সংখ্যক দলং নিৰ্মাণে জনসাধাৰণক ওচৰ চপোৱাত সহায় কৰিব আৰু অৰ্থনৈতিক কাম-কাজেও দ্ৰুতগতিত বিকাশ লাভ কৰিব।



এই ক্ষেত্ৰত দিচাংমুখৰ পৰা টেকেলীফুটালৈ ব্ৰহ্মপুত্ৰৰ ওপৰত এখন দলং নিৰ্মাণৰ বাবে এক বিস্তৃত কাৰিকৰী অৰ্থনৈতিক সম্ভাৱনীয়তাৰ প্ৰতিবেদন প্ৰস্তুত কৰা হ'ব।

৬৬(১৬) এখন সমাজৰ বাবে সকলো শ্ৰেণীৰ লোককলাই হৈছে মূল্যবান সম্পদ আৰু ইয়াৰ সংৰক্ষণ তথা জনপ্ৰিয়কৰণৰ বাবে প্ৰচুৰ অৱদান আগবঢ়োৱা সকলো লোকৰ প্ৰতি সমাজখন ঋণী। এই ক্ষেত্ৰত প্ৰয়াত প্ৰতিমা বৰুৱা পাণ্ডেৰ সন্মানাৰ্থে এটা প্ৰতিমূৰ্ত্তি স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

৬৬(১৭) ৰেচম খণ্ডটোৰ ঐতিহ্যক লৈ অসম গৌৰৱান্বিত। এই খণ্ডটোৰ প্ৰণালীবদ্ধ আৰু বৈজ্ঞানিক উন্নয়ন সাধনক উৎসাহিত কৰাৰ অৰ্থে আৰু ইয়াৰ বাবে আৱশ্যকীয় জনসম্পদ বৃদ্ধি কৰিবলৈ যোৰহাট জিলাৰ তিতাবৰত এখন ৰেচম মহাবিদ্যালয় স্থাপন কৰা হ'ব। এই মহাবিদ্যালয়খনৰ আধাৰশিলা ইতিমধ্যে স্থাপন কৰা হৈছে।

৬৬(১৮) বান আৰু গড়াখহনীয়াই প্ৰতি বছৰে আমাৰ ৰাজ্যখনৰ শত সহস্ৰ পৰিয়ালৰ জীৱন আৰু সম্পত্তিৰ প্ৰতি সৰ্বনাশ সৃষ্টি কৰি আহিছে। বান নিয়ন্ত্ৰণ ব্যৱস্থা হাতত লোৱাৰ বাবে নদী গৱেষণাৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে। গড়াখহনীয়াৰ দ্বাৰা আক্ৰান্ত পৰিয়ালসমূহৰ পুনৰ সংস্থাপনৰ বাবে বিশেষ পেকেজ হাতত লোৱা হ'ব। তেওঁলোকৰ গৃহ নিৰ্মাণৰ বাবে এনে পৰিয়াল সমূহলৈ নগদ ধন আৰু সা-সামগ্ৰী যোগান ধৰা হ'ব।

৬৬(১৯) সাম্প্ৰতিক সময়ত উচ্চ শিক্ষা খণ্ডটো যথেষ্ট প্ৰতিযোগীতামূলক হোৱা দেখা গৈছে। এই ক্ষেত্ৰত আমাৰ ছাত্ৰ-ছাত্ৰীসকলক উন্নত শৈক্ষিক সা-সুবিধা দিয়া আৰু অন্যান্য প্ৰয়োজনীয় অৰ্হতাসম্পন্ন কৰাৰ অৰ্থে মহাবিদ্যালয়সমূহৰ আন্তঃগাথনি উন্নীত কৰাৰ প্ৰয়োজন আছে। অহা বিত্তীয় বৰ্ষৰ পৰা ২৫ বৰ্ষ গৰকা মহাবিদ্যালয়, উচ্চতৰ মাধ্যমিক বিদ্যালয়, উচ্চ বিদ্যালয়, উচ্চ মাদ্ৰাছা বিদ্যালয় সমূহক এককালীন বিত্তীয় সাহায্য প্ৰদান কৰা হ'ব।

৬৬(২০) হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৬০ শতাংশতকৈ কম কিন্তু ৫০ শতাংশতকৈ বেছি নম্বৰ পোৱা ছাত্ৰ-ছাত্ৰীসকললৈ নেটবুক দিয়াৰ আঁচনিখন এই বছৰত আৰম্ভ কৰা হৈছিল। পৰৱৰ্তী বিত্তীয় বৰ্ষটো আঁচনিখন চলি থাকিব।

৬৬(২১) মই গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীসকলৰ বাবে পেঞ্চন আঁচনি আৰম্ভ কৰাৰ সিদ্ধান্ত লৈছো। অৰ্ন্তৱৰ্তীকালীন বাজেটত এই বাবে নামমাত্ৰ পুঁজি ৰখা হৈছে। সবিস্তাৰিত প্ৰাক্কলন প্ৰাপ্তিৰ পিছত নিয়মীয়া বাজেটত অতিৰিক্ত পুঁজি অন্তৰ্ভূক্ত কৰা হ'ব।

৬৬(২২) নগাঁৱৰ শ্ৰীমন্ত শংকৰদেৱ মিচনে জিলাখনত বিভিন্ন সমাজসেৱা আগবঢ়াই আহিছে। তেওঁলোকৰ আন্তঃগাথনি উন্নয়নৰ বাবে বিশেষ অনুদান প্ৰদান কৰা হ'ব।

৬৬(২৩) প্ৰতি বছৰে অসমৰ পৰা কেবা সহস্ৰ যাত্ৰীয়ে হজ যাত্ৰা কৰে। এই ক্ষেত্ৰত গুৱাহাটীস্থিত হজ ভৱনে হজ যাত্ৰী



সকলৰ বাবে গুৰুত্বপূৰ্ণ আৰু প্ৰয়োজনীয় সুবিধা আগবঢ়াই আহিছে। হজ ভৱনৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে বিশেষ অনুদান আগবঢ়োৱা হ'ব।

৬৬(২৪) বড়ো তথা অন্যান্য জনজাতিসকলৰ শৈক্ষিক বিকাশৰ উদ্দেশ্যে এটা পৃথক সঞ্চালকালয় প্ৰতিষ্ঠা কৰা হ'ব।

৬৬(২৫) সৌৰশক্তিয়ে পৰম্পৰাগত শক্তি উৎস সমূহৰ বিকল্প হিচাপে কাম কৰে আৰু ই ক্ৰমাগতভাৱে জনপ্ৰিয়তা লাভ কৰিছে। সকলোবোৰ চৰকাৰী আৰু প্ৰাদেশীকৃত মহাবিদ্যালয়সমূহত পৰ্যায়ক্ৰমে সৌৰ ফলক স্থাপনৰ প্ৰস্তাৱ লোৱা হৈছে। সৌৰ শক্তিৰ ব্যৱহাৰক অধিক জনপ্ৰিয় কৰি তুলিবৰ বাবে আৰু অধ্যয়নত সহায় কৰিবৰ কাৰণে বিদ্যাৰ্থীসকলৰ মাজত এক লাখ সৌৰ চাকি বিতৰণ কৰা হ'ব।

৬৬(২৬) পাৰিপাৰ্শ্বিক সংৰক্ষণৰ দিশৰ পৰা প্ৰাকৃতিক জলাশয় সমূহৰ বেদখল তথা অৱক্ষয় ৰোধ কৰাটো অতি গুৰুত্বপূৰ্ণ। এই ক্ষেত্ৰত জলাশয়সমূহৰ ব্যৱহাৰ নিয়ন্ত্ৰণৰ অৰ্থে এটা নদী আৰু হ্ৰদ প্ৰাধিকৰণ গঠনৰ প্ৰস্তাৱ লোৱা হৈছে।

৬৬(২৭) শিৱসাগৰ জিলাৰ পৌৰাণিক কীৰ্তিস্তম্ভসমূহৰ সুৰক্ষা আৰু উন্নয়ন সাধনৰ অৰ্থে বিশেষ মঞ্জুৰি প্ৰদান কৰা হ'ব। একেদৰে শিৱসাগৰৰ যুৱদৌল প্ৰয়াত থানেশ্বৰ দত্ত স্মাৰক প্ৰেক্ষাগৃহ আৰু শিৱসাগৰত থকা পিয়লী ফুকন ষ্টেডিয়ামৰ উন্নয়ন সাধনৰ অৰ্থে বিশেষ মঞ্জুৰি প্ৰদান কৰা হ'ব।

৬৬(২৮) তেজপুৰৰ চন্দ্ৰনাথ শৰ্মা স্মাৰক প্ৰেক্ষাগৃহৰ উন্নয়নৰ বাবে বিশেষ মঞ্জুৰী প্ৰদান কৰা হ'ব।

৬৬(২৯) গোলাঘাটৰ শ্বহীদ কুশল কোঁৱৰ সমবায় সূতাকল সমন্বিতে ৰাজ্য চৰকাৰে ইতিমধ্যে বন্ধ কৰাৰ সিদ্ধান্ত লোৱা ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান সমূহৰ ভূমি গৃহ তথা অন্যান্য সম্পত্তিসমূহৰ নতুন উদ্যোগ তথা প্ৰতিষ্ঠান স্থাপনৰ দ্বাৰা বিকল্প ব্যৱহাৰ কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰা হৈছে।

৬৬(৩০) সৰুসজাই ষ্টেডিয়ামখনক সম্পূৰ্ণৰূপে কাৰ্যক্ষম কৰিবলৈ এই ষ্টেডিয়ামৰ নৱীকৰণৰ বাবে প্ৰয়োজনীয় পুঁজি আগবঢ়োৱা হ'ব।

৬৬(৩১) শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ উপযুক্ত তদাৰক তথা কাম-কাজ নিয়াৰিকৈ চলাই নিয়াৰ বাবে বিত্তীয় সাহায্য প্ৰদান কৰা হ'ব।

৬৬(৩২) বয়োজ্যেষ্ঠসকল, আশ্ৰয়হীনা মহিলাসকল আৰু অভিভাৱকবিহীন শিশুসকলৰ প্ৰতি মই বাৰুকৈয়ে উদ্বিগ্ন। বৃদ্ধাশ্ৰম তথা আশ্ৰয়হীনা মহিলা সকল আৰু অভিভাৱকবিহীন শিশুসকলৰ আশ্ৰয়স্থল নিৰ্মাণৰ বাবে আৱশ্যকীয় পুঁজি যোগান ধৰা হ'ব।

৬৬(৩৩) সৰ্ব সাধাৰণ লোকৰ বাবে চৰকাৰৰ সহযোগত এখন নতুন স্বাস্থ্য বীমা আঁচনি প্ৰাৰম্ভণ কৰা হ'ব।



৬৬(৩৪) অসম চাহ ৰোপণ আইনৰ বিভিন্ন ব্যৱস্থাৱলীসমূহ আখৰে আখৰে ৰূপায়ণ কৰা হ'ব আৰু চাহ বাগিছাৰ শ্ৰমিকসকলৰ অধিকাৰ আৰু সা-সুবিধাসমূহ সম্পূৰ্ণভাৱে সুনিশ্চিত কৰা হ'ব। চাহ বাগিচাৰ কৰ্মীসকলৰ শিশুসকলৰ মাজত শিক্ষাৰ প্ৰসাৰ তথা শৈক্ষিক উৎকৃষ্টতাৰ পৃষ্ঠপোষকতাৰ লক্ষ্যৰে এটা সুকীয়া সঞ্চালকালয় গঠন কৰা হ'ব।

৬৬(৩৫) পুষ্টিহীনতাত ভোগা শিশুসকলৰ স্বাস্থ্যৰ উন্নীতকৰণৰ বাবে এক বিশেষ আঁচনি প্ৰাৰম্ভণ কৰা হ'ব।

৬৬(৩৬) মহিলা সৰবৰাহ আৰু ডাইনী হত্যাৰ ঘটনাসমূহে ৰাজ্যখনৰ সমাজ ব্যৱস্থাত এক গভীৰ সমস্যাৰ সৃষ্টি কৰিছে। এই অতি গুৰুত্বপূৰ্ণ বিষয়সমূহ উপযুক্তভাৱে মোকাবিলা কৰিবলৈ বিশেষ পদক্ষেপ লোৱা হ'ব।

৬৬(৩৭) মহিলা আত্মসহায়ক গোটসমূহৰ বাবে উদ্‌গনিৰ এক বিশেষ পেকেজ প্ৰস্তুত কৰা হ'ব।

৬৬(৩৮) নিয়োজন সৃষ্টি আৰু উৎপাদন বৃদ্ধিক উৎসাহিত কৰাৰ বাবে ৰাজ্যখনত এটা নিয়োগ সৃষ্টি আৰু দক্ষতা উন্নয়ন নিগম গঠন কৰা হ'ব।

৬৬(৩৯) সময়োচিত পদক্ষেপসমূহে বহুতো স্বাস্থ্যজনিত সমস্যাৰ পৰা হাত সাৰি থকাত সহায় কৰে। ইয়ে বৰ্তমানৰ স্বাস্থ্য সেৱাৰ ওপৰত পৰা তীব্ৰ হেচা লাঘৱ কৰাই নহয়,

জীৱনৰ মানদণ্ড উন্নীতকৰণৰ দিশতো প্ৰভূত সহায় কৰে। এই ক্ষেত্ৰত বিশুদ্ধ খোৱা পানী, পৰিচ্ছন্নতা আৰু অনাময়ৰ ওপৰত বিশেষ গুৰুত্ব দি প্ৰতিৰোধমূলক স্বাস্থ্য প্ৰযত্ন ব্যৱস্থা সমূহৰ ওপৰত আৰু অধিক গুৰুত্ব প্ৰদান কৰা হ'ব। একেদৰে থলুৱা ভেষজৰ উৎকৰ্ষতাৰ বাবেও বিশেষ ব্যৱস্থা লোৱা হ'ব।

৬৬(৪০) ৰাজ্যখনৰ আৰ্থ-সামাজিক উন্নতি, জীৱনৰ মানদণ্ড উন্নীতকৰণ আৰু প্ৰকৃতিৰ ভাবসাম্যতা সংৰক্ষণৰ দিশত সহায়ক হোৱা নতুন ধ্যান-ধাৰণাসমূহক আমি ইতিবাচকৰূপে উৎসাহিত কৰিব বিচাৰো। এই দিশত ৰাজ্যৰ বিভিন্ন অঞ্চলত উদ্ভাৱনী কেন্দ্ৰ স্থাপন কৰা হ'ব।

৬৬(৪১) পশুপালন আৰু মীন খণ্ডৰ সম্পূৰ্ণ সম্ভাৱনীয়তাখিনিক আমি বাস্তৱায়িত কৰিব বিচাৰো। ইয়াৰ বাবে বিশেষ পেকেজ প্ৰস্তুত কৰা হ'ব।

৬৬(৪২) সেনা, নৌ সেনা আৰু বায়ু সেনাত থকা নিয়োগৰ সম্ভাৱনীয়তাখিনি ৰাজ্যখনে সম্পূৰ্ণৰূপে কামত খতুৱাব পৰা নাই। এই ক্ষেত্ৰসমূহত নিয়োজনৰ সুবিধাৰ বাবে তথা সুৰক্ষাৰ সেৱাসমূহত আৰু অধিক সংখ্যক যুৱক-যুৱতী নিয়োজনৰ বাবে আগবাঢ়ি অহাত উৎসাহিত কৰিবলৈ এখন নতুন সৈনিক স্কুল উজনি অসমত স্থাপন কৰা হ'ব। মই এখন নৌ সেৱা তথা প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান স্থাপনৰ কথা চিন্তা-চৰ্চা কৰি আছো।



৬৬(৪৩) ব্ৰহ্মপুত্ৰ আৰু বৰাক সমন্বিতে অসংখ্য নদীসমূহৰ বিশাল জলসম্পদৰ জলসিঞ্চন, বিশুদ্ধ খোৱা পানী যোগান আৰু জলপৰিবহনত ব্যৱহাৰৰ বাবে বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব।

৬৬(৪৪) অধিক নিৱনুৱা যুৱক-যুৱতীক নিয়োগৰ অৰ্হতা আহৰণ কৰি তেওঁলোকক স্ব-নিয়োজনৰ দিশত সহায় কৰিবলৈ বিভিন্ন জিলাত ল'ৰা আৰু ছোৱালীৰ মাজত ৫০:৫০ ভিত্তিত সম্পূৰ্ণ লিংগ সমতা নিশ্চিত কৰাকৈ উদ্যোগী প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰা হ'ব।

৬৬(৪৫) আত্মসহায়ক গোটসমূহৰ উৎপাদনিক অৱস্থাৰ উন্নীতকৰণ আৰু তেওঁলোকক নিয়ন্ত্ৰিত বিপণন উপলব্ধকৰণৰ বাবে সংশ্লিষ্ট সামগ্ৰীসমূহৰ চৰকাৰী ক্ৰয়ৰ ক্ষেত্ৰত ন্যুনতম ৩০ শতাংশ এই আত্মসহায়ক গোটসমূহৰ পৰা ক্ৰয় কৰাটো নিশ্চিত কৰা হ'ব। এই উদ্দেশ্যে অসম প্ৰিফাৰেন্সিয়েল ষ্টোৰ্চ এণ্ড পাৰ্চেজেচ (**Assam Preferencial Stores and Purchases**) আইনৰ যথোচিত সংশোধন কৰা হ'ব।

৬৬(৪৬) বিগত দশকসমূহত ব্ৰহ্মপুত্ৰকে মুখ্য কৰি বিভিন্ন নদীৰ খহনীয়াৰ ফলস্বৰূপে এক বৃহৎ পৰিমাণৰ ভূমি নিশ্চিহ্ন হৈ গৈছে। সি যি কি নহওক বৃহৎ পৰিমাণৰ ভূমি এতিয়াও ব্যৱহাৰৰ বাবে পুনৰ আবাদীকৰণ কৰিব পৰা যায়। এই পৰিপ্ৰেক্ষিতত এক দীৰ্ঘম্যাদী কৌশল প্ৰস্তুত কৰাত সহায়ক

হোৱাকৈ নদী গৱেষণা প্ৰতিষ্ঠান স্থাপন কৰিবলৈও প্ৰস্তাৱ লোৱা হৈছে।

৬৬(৪৭) আন্তঃৰাজ্যিক আৰু আন্তঃৰাষ্ট্ৰীয় সীমান্ত অঞ্চলত বসবাস কৰি থকা লোকসকলৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে এক বিশেষ পেকেজ প্ৰস্তুত কৰা হ'ব। অনুন্নত অঞ্চলৰ বিভিন্ন আৱশ্যকতা চিনাক্তকৰণ কৰা হ'ব।

৬৬(৪৮) ক্ৰীড়াৰ বিকাশৰ বাবে এক বিশেষ পেকেজ প্ৰস্তুত কৰা হ'ব।

৬৬(৪৯) ৰাজ্য খনৰ বাবে এটা নতুন সময় মণ্ডল প্ৰাৰম্ভণৰ বাবে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিব। তাৰ আগতে কাৰ্যালয় আৰু শৈক্ষিক প্ৰতিষ্ঠানসমূহৰ কৰ্মৰ সময় আগবঢ়াই দিয়া হ'ব।

৬৬(৫০) বেংক / অৰ্ধসামৰিক বাহিনী / সামৰিক বাহিনী/ সীমান্ত নিৰাপত্তা বাহিনীসমূহত মকৰলৰ বাবে আৰু এনেধৰণৰ পৰীক্ষাসমূহত অৱতীৰ্ণ হোৱাৰ ক্ষেত্ৰত ৰাজ্যখনৰ যুৱক-যুৱতীসকলক প্ৰস্তুত কৰাৰ অৰ্থে এটা প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰা হ'ব। ভাৰতীয় নৌ সেনা আৰু মাৰ্চেন্ট নেভীকে আদি কৰি সামুদ্ৰিক খণ্ডটোত মকৰলৰ বাবে প্ৰশিক্ষণ প্ৰতিষ্ঠান স্থাপন কৰা হ'ব।



৬৬(৫১) মহিলা আৰু শিশুৰ বিৰুদ্ধে সংঘটিত হোৱা ঘৰুৱা হিংসা আৰু অন্যান্য অপৰাধক বাধা দিয়াৰ অৰ্থে কঠোৰ ব্যৱস্থা গ্ৰহন কৰা হ'ব । কৰ্ম স্থানত সংঘটিত হোৱা লিংগ ভিত্তিক অপৰাধসমূহ কঠোৰভাৱে দমন কৰা হ'ব। মহিলা অৰু শিশুৰ সৰবৰাহক বাধা প্ৰদান কৰাৰ অৰ্থে বিশেষ আৰক্ষী গোট গঠন কৰা হ'ব।

৬৬(৫২) গৰাখহনিয়াৰ দ্বাৰা আক্ৰান্ত পৰিয়ালসমূহৰ প্ৰতিটোকে পুনৰ সংস্থাপনৰ বাবে দুই বান্দিলকৈ টিন-পাট আৰু পাঁচ হেজাৰ টকাকৈ নগদ ধন আগবঢ়োৱাৰ এখন আঁচনি ৰূপায়ন কৰি থকা হৈছে।অহা বিত্তীয় বৰ্ষৰ পৰা মই এই নগদ ধনৰ পৰিমাণ ৭৫০০ টকালৈ বৃদ্ধিকৰাৰ বাবে প্ৰস্তাৱ লৈছো।

৬৬(৫৩) পূৰ্বতে মই বৰাক উপত্যকাৰ বাবে ১০০০ কোটি টকা আৰু শদিয়াৰ বাবে ১০০ কোটি টকা আগবঢ়োৱাৰ এক বিশেষ পেকেজৰ কথা ঘোষণা কৰিছিলো। এই পেকেজ সমূহৰ অধীনত সংশ্লিষ্ট বিভাগসমূহে আঁচনি প্ৰস্তুত কৰি উলিয়াইছে। এই পেকেজসমূহৰ সফল ৰূপায়ণৰ বাবে প্ৰয়োজনীয় পুঁজি মোকলাই দিয়াৰ ক্ষেত্ৰত থকা মোৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা মই পুনৰ দোঁহাৰিছো। মই ধেমাজি জিলাৰ উন্নয়নৰ বাবে ১০০ কোটি টকা আগবঢ়োৱাৰ আন এটা বিশেষ পেকেজৰো প্ৰস্তাৱ আগবঢ়াইছো।

৬৬(৫৪) অহা বিত্তীয় বৰ্ষত ষষ্ঠ অনুসূচীৰ অন্তৰ্গত স্বায়ত্ব শাসিত জিলা কেইখন, অন্যান্য স্বায়ত্ব শাসিত আৰু উন্নয়ন পৰিষদসমূহলৈ আগবঢ়োৱা উন্নয়নমূলক সাহায্যৰ পৰিমাণ বৃদ্ধি কৰা হব।

৬৬(৫৫) ত্ৰয়োদশ বিত্ত আয়োগ আৰু চতুৰ্থ ৰাজ্যিক বিত্ত আয়োগৰ অৰ্থসাহায্যত পঞ্চায়তী ৰাজ প্ৰতিষ্ঠান আৰু নগৰীয়া স্থানীয় নিকায় সমূহলৈ পৰ্য্যাপ্ত পুঁজি আগবঢ়োৱা হৈছে। অনাময়, নাগৰিকৰ চাফ চিকুনতা, জাৱৰ জোথৰ আতঁৰোৱা কাম আৰু তেওঁলোকৰ এলেকা সমূহৰ সামগ্ৰিক চাফাইৰ প্ৰতি বিশেষ মনোযোগ প্ৰদান কৰিবলৈ নগৰ তথা গ্ৰামাঞ্চল দুয়োটাতে থকা স্থানীয় প্ৰশাসন সমূহক মই আহ্বান জনালোঁ। যদি তেওঁলোকে বলিষ্ঠ আৰু বাস্তৱ সন্মত প্ৰয়াসেৰে আগবাঢ়ি আহে তেতিয়া তেওঁলোকলৈ অতিৰিক্ত বিত্তীয় সাহায্য প্ৰদান কৰিবলৈ মই প্ৰস্তুত। পৰিস্কাৰ পৰিচ্ছন্নতাক উদগনি জনোৱাৰ অৰ্থে আটাইতকৈ পৰিস্কাৰ নগৰ আৰু গাওঁসমূহৰ বাবে সুকীয়া বাৰ্ষিক বঁটা প্ৰদান কৰাৰ বাবে মই প্ৰস্তাৱ কৰিছো।

৬৬ (৫৬) ৰাজ্যখনৰ ঐতিহাসিক ঐতিহ্যক প্ৰদৰ্শন কৰাৰ অৰ্থে এটা বুৰঞ্জী সংগ্ৰহালয় স্থাপনৰ বাবে মই প্ৰস্তাৱ কৰিছো। এই সংগ্ৰহালয়ত বৰ্মন, পাল, শালস্তম্ভ আদিৰ লেখীয়া বংশসমূহৰ ইতিহাসৰ দৰে কছাৰী, চুতীয়া, দেউৰী, মৰাণ, তিৱা, কাৰ্বি, ৰাভা, আহোম, কোচ আদিৰ লেখীয়া অসমৰ খিলঞ্জীয়া জাতি-জনগোষ্ঠী সমূহৰো ঐতিহ্যময় ইতিহাসৰ



বিষয়ে প্ৰদৰ্শন কৰা হ'ব। একেদৰে, ৰাজ্যখনৰ চহকী প্ৰাকৃতিক সৌন্দৰ্য্য আৰু বৈচিত্ৰ্যতাক প্ৰদৰ্শন কৰাৰ অৰ্থে এটা প্ৰাকৃতিক সংগ্ৰহালয় স্থাপনৰ কথা মই বিবেচনা কৰিছো।

৬৬.(৫৭) দুটা মাহৰ পাছতেই অসমবাসীয়ে ৰঙালী বিহু উদ্‌যাপন কৰিব। দৰিদ্ৰ আৰু অভাৱগ্ৰস্ত সকলৰ প্ৰতি মোৰ মৰম-চেনেহৰ চিনস্বৰূপে তেওঁলোকলৈ বিহুৰ উপহাৰ হিচাপে এটা সৰু ধনৰাশি প্ৰদান কৰিবলৈ মই প্ৰস্তাৱ আগবঢ়াইছো।

৬৬.(৫৮) এই অন্তৰ্বৰ্তীকালীন বাজেটখন উত্থাপন কৰাৰ পূৰ্বে মই এই কথা উল্লেখ কৰিব বিচাৰো যে অসম বিত্তীয় দায়বদ্ধতা আৰু বাজেট ব্যৱস্থাপনা আইন, ২০০৫ ত উল্লেখ থকা মতে ৰাজ্যিক বাজেটৰ লগত দাখিল কৰিবলগীয়া নথিপত্ৰসমূহ নিয়মীয়া আৰু বিস্তৃত বাজেটৰ লগত দাখিল কৰা হ'ব, যিখন ২০১৪ চনৰ ৩০ চেপ্তেম্বৰৰ যথেষ্ট আগেয়েই উত্থাপন কৰিব পৰা যাব বুলি মই আশা ৰাখিছো।

মাননীয় অধ্যক্ষ মহোদয়ে এইখিনি কথাৰেই মই ২০১৪-১৫ বৰ্ষৰ বাবে অন্তৰ্বৰ্তীকালীন বিত্তীয় বিৱৰণ আৰু দাবী মঞ্জুৰি পৱিত্ৰ সদনৰ মজিয়াত উত্থাপন কৰিলো। এই অন্তৰ্বৰ্তীকালীন বাজেটত কম গুৰুত্বপূৰ্ণ শিতানসমূহৰ পৰ্যায়লৈকে ব্যয়ৰ হিচাপ প্ৰদৰ্শন কৰা হৈছে। বাধ্যতামূলক আৰু অন্যান্য প্ৰয়োজনীয় ব্যয়সমূহ বহন কৰাৰ উদ্দেশ্যে ২০১৪ চনৰ ১ এপ্ৰিলৰ পৰা ৩০ চেপ্তেম্বৰলৈকে কালছোৱাৰ

বাবে সৰ্বমুঠ ২৮৪৬৭,১৯,৭৮,০০০ টকাৰ (আঠাইশ হাজাৰ চাৰিশ সাতষষ্ঠী কোটি উনৈশ লাখ আঠসত্তোৰ হাজাৰ টকাৰ) দাবী মঞ্জুৰিত লেখানুদান বিচাৰি এই পবিত্ৰ সদনৰ বিবেচনাৰ্থে আগবঢ়ালোঁ।

জয় আই অসম

জয় হিন্দ

২০১৪

অসম চৰকাৰী ছপাশালত মুদ্ৰিত

গুৱাহাটী-২১